
সীতা-হরণ



# সীতা হৰণ

D. K. College Library
8023
Data Entered
DIBRUGARH H. S. KANOI COLLEGE
LIBRARY
Call Number...... 294.55 / G.69 Sit.
Date.....................

শ্ৰীশ্ৰীযুক্ত তীৰ্থনাথ গোস্বামীৰ
দ্বাৰা বিৰচিত।

৩য় সংস্কৰণ

প্ৰকাশক আৰু প্ৰাপ্তিস্থান—

**ধলৰসত্ৰ পুথি ভঁৰাল**

ধলৰ সত্ৰ।

প্ৰকাশক—
ধলৰসত্ৰ পুথি ভঁৰালৰ হৈ
**শ্ৰীনৱনাথ গোস্বামী,**
ধলৰসত্ৰ।

প্ৰিণ্টাৰ—
শ্ৰীদেব প্ৰসাদ মিত্ৰ
**এলেম প্ৰেছ**
৬৩, বিডন ষ্ট্ৰীট কলিকতা—৬

# সীতা-হৰণ

——ঃ০ঃ——

শ্রীশ্রীৰামচন্দ্ৰায় নমঃ।

*প্ৰণম্যং জানকীকান্তং ভক্তপ্ৰিয় জনাৰ্দ্দনং।*
*যৎপাদ পঙ্কজ ব্ৰহ্মা ধ্যানে নচ মুখাগত ॥*
*ৰামায় ৰাম ভদ্ৰায় তদ্ভক্তায় নমো নমঃ।*
*তৎ বন্দেহং পৰমাত্মানাং কোটি পদ্ম সমানন ॥*

---

## পদ

জয় নমো ৰামচন্দ্ৰ কমল লোচন।
ব্ৰহ্মা হৰে বন্দে সদা যাহাৰ চৰণ ॥
যাক স্মৰণে মহা পাপীয়ো তৰয়।
যাৰ কটাক্ষত সৃষ্টি স্থিতি হোৱে লয় ॥২
দেৱৰো দেৱতা দেৱ বিধিৰ ঈশ্বৰ।
ব্ৰহ্মা হৰ পুৰন্দৰ যাহাৰ কিঙ্কৰ ॥
হেন ৰামচন্দ্ৰ পদে কৰি নমস্কাৰ।
বিৰচিলো এই সীতা হৰণ পয়াৰ ॥২
অমৃত অধিক স্বাদ শ্রীৰাম চৰিত্ৰ।
যাক শুনি হোৱে মহা পাপীয়ো পৱিত্ৰ ॥

শুনা সাৱধানে সবে কৰি এক চিত্ত ।
মৰণ সম্বল ইটো পৰকাল বিত্ত ॥৩
মোৰ পদ বুলি কেহো নধৰিবা দোষ ।
ৰামৰ চৰিত্ৰ শুনি হুয়োক সন্তোষ ॥
শ্ৰৱণ কীৰ্ত্তন মাত্ৰ কলি ধৰ্ম্ম সাৰ ।
সাধু সঙ্গে শুনি হোৱে ভৱ নদী পাৰ ॥৪
দশৰথ গৃহে চাৰি অংশে অৱতৰি ।
হৰিলাহা ভূমি ভাৰ ৰাক্ষস সংহৰি ॥
পিতৃ সত্য পালি ৰাম বনে চলি গৈলা ।
পুত্ৰৰ শোকত ৰাজা প্ৰাণক ত্যজিলা ॥৫
আছন্ত ভৰত গৈয়া মাতুলৰ ঘৰ ।
নেজানে গৃহত কোন ভৈলা অথন্তৰ ॥
দূত পঠাই পাছে ভৰতক অনাইলেক ।
গৃহৰ বৃত্তান্ত মানে সবে কহিলেক ॥৬
শ্ৰীৰাম লক্ষ্মণ সীতা চলি গৈলা বন ।
পুত্ৰৰ শোকত প্ৰাণ তেজিলা ৰাজন ॥
ইসব বৃত্তান্ত শুনি ভৰত শত্ৰুঘ্ন ।
মৃতকৰ প্ৰায় শোক ভৈলা অচেতন ॥৭
চাৰিগুণ ভৰতৰ ক্ৰোধ উপজিল ।
গৰিহা বচন পাছে কৈকেয়ীক বুলিল ॥
কুজীক ধৰিয়া বহু ভূকু-কিল দিল ।
স্ত্ৰীবধ ভয়ে মাত্ৰ প্ৰাণক ৰাখিল ॥৮

নাক কাণ কাটি তাইৰ ঘোছা কৰিলেক।
মাতৃঘাত পাপ ভয়ে নুচুইলে কৈকেয়ীক ॥
মহা শোকে পাছে মৃত পিতৃক দহিল।
পাছে বিধিব্ৰতে প্ৰেতকাৰ্য্য সমাপিল ॥৯
পাত্ৰ মন্ত্ৰী সবে পাছে আলোচিয়া কাজ।
ভৰতক বোলে শীঘ্ৰে লোৱা তুমি ৰাজ ॥
বোলন্ত ভৰতে ইটো নকহিবা মোত।
জ্যেষ্ঠ ভাতৃ গুৰু সম শাস্ত্ৰত বিখ্যাত ॥১০
জ্যেষ্ঠ ভাইৰ ৰাজ্য মই কিয় কৰো ভোগ্য।
বেদ শাস্ত্ৰে কহে জ্যেষ্ঠ জনে ৰাজ্য যোগ্য ॥
কিমতে লঙ্ঘিবো মই বেদৰ বচন।
ৰামক আনিবে চলি যাওঁ মই বন ॥১১
এহি বুলি অসংখ্য লগত প্ৰজা লই।
ভৰত শত্ৰুঘ্ন চলে হৰষিত হই ॥
চিত্ৰকূট বনে আছে শ্ৰীৰাম লক্ষ্মণ।
উপস্থিত ভৈলা যাই ভৰত শত্ৰুঘ্ন ॥১২
বসিয়াছা ৰামচন্দ্ৰ তৃণৰ গৃহত।
আছন্ত অগনি যেন ভস্মৰ মাজত ॥
দক্ষিণে লখাই বামে জনকৰ জীৱ।
নন্দী গৌৰী সঙ্গে যেন বসি আছে শিৱ ॥১৩
হা প্ৰাণ দাদা বুলি নমিলা চৰণ।
বহয় লোটক কাৰো নোলাই বচন ॥

ৰাজা মৰিবাৰ পাছে বাৰ্ত্তা জ্ঞান দিলা।
শুনিয়া লক্ষ্মণ সীতা বিস্তৰ কান্দিলা ॥১৪
ভৰতে বোলয় পাছে দুই কৰ যোৰি।
শুনা প্ৰাণ দাদা আবে শোক পৰিহৰি ॥
আমি নথাকন্তে মাৱে কৰিলেক দোষ।
চৰণত ধৰো মই এৰা অসন্তোষ ॥১৫
খসায়ো বল্কল তেজিয়ো জঁটা ভাৰ।
পিন্ধিয়োক শীঘ্ৰে দাদা ৰাজ অলঙ্কাৰ ॥
মোক দয়া যেবে দাদা আছয় তোমাৰ।
চলা শীঘ্ৰে অযোধ্যাক লোৱাঁ ৰাজ্য ভাৰ ॥১৬
শ্ৰীৰামে বোলয় যদি মেৰু মন্দৰো খসয়।
তথাপি আমাৰ বাক্য স্খলন নহয় ॥
প্ৰাণৰ সংশয় যদি মিলয় আমাৰ।
তথাপিতো নেৰো মই পিতৃ অঙ্গীকাৰ ॥১৭
বোলন্ত ভৰতে শুনি বিনয় কৰিয়া।
তোমাৰ পাদুকা জুৰি মোক দান দিয়া ॥
তাক নিয়া মই সিংহাসনত থাপিবো।
তোমাৰ চৰণ সেৱা তাহাতে কৰিবো ॥১৮
ভৰতৰ ভক্তি যেবে শ্ৰীৰাম দেখিল।
কুশৰ খৰম কৰি পাছে তাঙ্ক দিল ॥
শিৰত খৰম ধৰিয়া আছিলন্ত কতোক্ষণ।
মহা শোকে কান্দি পাছে বুলিলা বচন ॥১৯

তোমাৰ চৰণ মই তেজিয়া অভাগী ।
ৰাজ্য ভোগ খাইবে যাওঁ অযোধ্যাক লাগি ॥
এহি বুলি সৰ্ব্বজনে কৰিয়া প্ৰণাম ।
কান্দি কান্দি চলে গৃহে কৰি ৰাম ৰাম ॥২০
শ্ৰীৰামে বোলন্ত পাছে শুনিয়ো লখাই ।
মহাশোক দিলা আসি ভৰত ভায়াই ॥
তুমুৱা অগনি জালিলেক পুনৰ্ব্বাৰ ।
তাৰ কথা স্মৰি হৃদি দহয় আমাৰ ॥২১
কি জানি ইঠাইক খেদি আসে পুনৰ্ব্বাৰ ।
হেন জানি ইঠানত নথাকোহো আৰ ॥
ভাল বুলি লক্ষণ চলিলা হৈয়া আগ ।
মধ্যে সীতা পাচে ৰামচন্দ্ৰ মহাভাগ ॥ ২২
অনন্তৰে এৰি গৈলা চিত্ৰকুট বন ।
ভৈলা পাৰ নদ নদী বিপীন গহন ॥
নাহিকে প্ৰয়াস ৰাম হৰিষে চলিল ।
দণ্ডকা বনত অনন্তৰে প্ৰৱেশিল ॥২৩
প্ৰথমে পাইলন্ত অত্ৰি মুনিৰ আশ্ৰম ।
কৰিলন্ত তিনিৰ্জনে ঋষিক প্ৰণাম ॥
ঋষিয়ো হৰিষ ভৈলা দেখিয়া ৰামক ।
আসিলাহা স্বয়ং বিষ্ণু মোৰ আশ্ৰমক ॥২৪
সাৰ্থক জীৱন মোৰ জন্ম সাম্ফলিলো ।
ঈশ্বৰৰ পাদ পদ্ম সাক্ষাতে দেখিলো ॥

পৰম সাদৰি ঋষি পুছিলা কুশল।
হৰিষে কহিলা ৰাম মঙ্গলা মঙ্গল ॥ ২৫
অভ্যন্তৰে পাছে ঋষি সীতাক পঠাইলা ।
অত্ৰিৰ ভাৰ্য্যায়ে নিয়া আসনে বৈসালা ॥
মুনিৰ স্নেহৰ ভাৰ্য্যা অনসূয়া নাম ।
ৰূপে গুণে তান সম নাহিকে উপাম ॥২৬
সীতায়ে বন্দিলা গৈয়া তাহান চৰণ ।
বুলিলন্ত ঋষি পত্নী প্ৰফুল্ল বদন ॥
পিতৃ সত্য পালি ৰাম আসিলেক বন ।
তুমি কিয় স্বামী সঙ্গে ভ্ৰমা অকাৰণ ॥২৭
ফল মুল ভুঞ্জি বনে দুখ পাবা বৰ ।
শাশুৰীৰ সঙ্গে কিয় নাথাকিলা ঘৰ ॥
সীতা বোলে গৃহে থাকি পাইবো কোন ফল ।
স্বামী বিনা ৰমণীৰ জীৱন নিস্ফল ॥২৮
পতিব্ৰতা স্ত্ৰীৰ স্বামী বিনে গতি নাই ।
মোক কিয় নিষ্ঠুৰ বোলাহা তুমি আই ॥
সত্যবান ৰমণী সাৱিত্ৰী যেন সতী ।
চন্দ্ৰৰ ৰোহিণী বশিষ্ঠৰ অৰুন্ধতী ॥২৯
অত্ৰিৰ তুমি যেন উমা শঙ্কৰৰ ।
ৰামত আমাৰো তেনে ভক্তি দৃঢ়তৰ ॥
শুনি ঋষি পত্নী ভৈলা হৰিষ অপাৰ ।
সীতাক আলিঙ্গি ধৰি দিলা অলঙ্কাৰ ॥ ৩০

কভু তোৰ নুগুছোক সিন্দুৰ চন্দন ।
ৰাম সঙ্গে থাকা সুখে নুগুছি যৌৱন ॥
এহি বুলি সাদৰিয়া সীতাক পঠাইলা ।
শ্ৰীৰাম লক্ষ্মণ দেখি সন্তোষ লভিলা ।৩১
সেহি ৰাত্ৰি তিনি জনে তথাতে বঞ্চিলা
প্ৰভাততে ঋষিক তিনিয়ো প্ৰণামিলা ॥
বিদায় মাগিয়া গৈলা দণ্ডকা বনক ।
অনন্তৰে গৈয়া পাইলা ঋষি আশ্ৰমক ॥৩২
অসংখ্য সহস্ৰ ঋষি আসিয়া বেৰিল ।
শ্ৰীৰাম ঈশ্বৰ জানি স্তুতি আৰম্ভিল ॥
জগত কাৰণ তুমি বিধতাৰো বিধি ।
তোমাক দৰ্শনে ভৈল তপস্যাৰ সিদ্ধি ॥৩৩
ৰাতি গোট বঞ্চি তথা চলে তিনি জন ।
অগ্ৰে ৰাম মধ্যে সীতা শেষত লক্ষ্মণ ॥
হাতে ধনু ধৰি তিনি ভ্ৰমে বনে বন ।
অগাঢ় অৰণ্য মাঝে পাইলা দৰশন ॥৩৪
বিৰাধ ৰাক্ষস নাম অতি ভয়াঙ্কৰ ।
লহ লহ জিহ্বা তাৰ দেখি চমৎকাৰ ॥
ভেঙ্গুৰা চৰণ তাৰ কুলা যেন কাণ ।
মাথা তুলি বসিয়াছে পৰ্ব্বত সমান ॥ ৩৫
চক্ষু যেন অন্ধকুপ অঙ্গাৰ বৰণ ।
ফোপাল নাসিকা তাৰ বঙ্গা মুখ খন ॥

সিংহ ব্যাঘ্র পশু পক্ষী মাৰি মাৰি খাই।
ৰক্তে লেটি পেটি তাৰ গন্ধে প্ৰাণ যাই ॥৩৬
ৰাক্ষস দেখিয়া সীতা গৈলা ধাতু উৰি।
বিৰাধেও দেখি ৰিঙ্গ দিলা টান কৰি ॥
চিলা যেন থাপ মাৰি ধৰয় মৎস্যক।
সেহি ৰূপে থাপ দিয়া নিলেক সীতাক ॥৩৭
খাওঁ বুলি মেলিলেক ৰঙ্গামুখ খন।
বিজুলী চমক জিহ্বা দেখি যায় প্ৰাণ ॥
ডাক দিয়া বোলে কোৱা কোন তোৰা দুই।
তপস্বীৰ বেশে ফুৰা সঙ্গে কন্যা লই ॥৩৮
এহি শূলে বিন্ধি আজি দুহাঙ্ক বধিবো।
কন্যা লই মই ৰঙ্গে নিৰ্জ্জনে বঞ্চিবো ॥
পূৰ্ব্বে ব্ৰহ্মা দেৱে মোক দিয়া আছে বৰ।
তই হেন নৰকো আমাৰ নাই ডৰ ॥৩৯
শ্ৰীৰামে বোলয় শুন ৰাক্ষস দুৰ্ব্বাৰ।
দশৰথ গৃহে জন্ম জানিবি আমাৰ ॥
পিতৃ সত্য পালি আমি আসিয়াছো বন।
মোৰ নাম ৰাম এই সোদৰ লক্ষ্মণ ॥৪০
তেহোঁ মোৰ প্ৰিয় ভাৰ্য্যা জনক জীয়াৰী।
যদি প্ৰাণে আশ সীতা এৰ শীঘ্ৰ কৰি ॥
বিৰাধে শুনিয়া পাছে আনন্দ লভিল।
এহিসে অন্তক মোৰ শাপ অন্ত ভৈল ॥ ৪১

এহি ভাবি খঙ্গ তোলাই বোলে গৰ্ব্ব বাণী ।
বিৰাধ ৰাক্ষস মই লৈয়ো মোক চিনি॥
শূলহানি দুইকো আজি দিবো জম ঘৰ।
ৰাক্ষস ভক্ষক নৰ কাক কৰো ডৰ ॥৪২
শ্ৰীৰামে বোলন্ত লখাই কিয়ধৰো প্ৰাণ।
ৰাক্ষসে বান্ধৈক ধৰি নিলে বিদ্যমান ॥
বিৰাট কোলাত প্ৰিয়া দেখি প্ৰাণ যাই ॥
হায় বিধি কি কৰিলা আমাৰ বিলাই ॥৪৩
বোলন্ত লক্ষ্মণে পাছে হাত যোৰ কৰি ।
ধৈৰ্য্য ধৰা ৰঘুনাথ শোক পৰিহৰি ॥
লগত থাকন্তে দাস চিন্তানো কিহৰ ।
আজ্ঞা কৰা এতিক্ষণে বধো নিশাচৰ ॥৪৪
ৰাম বোলে বিদ্যমানে সীতা নিল হৰি।
কৰা ৰক্ষা সীতাক ৰাক্ষস শীঘ্ৰ মাৰি ॥
এহি বুলি ক্ৰোধে ৰাম ধনুক ধৰিল।
ৰাক্ষসক গৰ্জ্জি বহু বচন বুলিল ॥ ৪৫
ক্ষুদ্ৰ মৃগ হৈয়া তই সিংহক জোকাইলি।
মৰিবাক লাগি তই ৰব বিষ খাইলি ॥
মৰস বুলিয়া ধনু আজুৰি টানিল।
সপ্তগোটা নাৰাছক হৃদয়ে হানিল ॥ ৪৬
শ্ৰীৰামৰ বাণে তাৰ হৃদয় ভেদিল।
মহাশূল ধৰি দুষ্ট লক্ষ্মণক ধাইল ॥

ক্ষুৰপতি বাণে তাক দ্বিখণ্ড কৰিল।
পুনৰপি আনি শৰ ধনুত যুৰিল ॥৪৭
মহাচোটে ৰাক্ষসৰ হিয়াত ফুটিয়া।
ভূমিত সীতাক থৈয়া পৰিল ধলিয়া ॥
ভূমিকম্প গৈল যেন পৃথিৱী লৰিল।
ঋষি আদি বন জন্তু সকলো কম্পিল ॥৪৮
পৰিয়া ৰাক্ষসে পাছে আৰম্ভিল স্তুতি।
নমো নমো ৰামচন্দ্ৰ প্ৰভু ৰঘুপতি ॥
তোমাৰ চৰণে সেৱা কৰোহো কিঙ্কৰ।
কহো পূৰ্ব শাপ শুনা জগত ঈশ্বৰ ॥ ৪৯
নামত ডম্বৰু মোৰ কুবেৰৰ চৰ।
সদাই আমাত তুষ্ট ধনৰ ঈশ্বৰ ॥
এক দিন বহু নাৰীগণ সঙ্গে লই।
কৰিছে কুবেৰে ক্ৰীড়া কামোমত্ত হই ॥৫০
নজানিয়া সেই স্থানে ভৈলো উপস্থিত।
দিলন্ত আমাক শাপ হইয়া লজ্জিত ॥
হৈবাহা ৰাক্ষস গৈ দণ্ডকা বনত।
শাপান্ত হৈবেক মৰি ৰামৰ হাতত ॥৫১
সিকাৰণে ভৈলো তযু চৰণে দৰ্শন।
মৃত দেহ পুৰি মোক কৰিয়ো মোচন ॥
পুৰিল ৰাক্ষস দেহ লক্ষ্মণ শ্ৰীৰাম।
দিব্য দেহ ধৰিয়া গৈলক পুণ্য ধাম ॥৫২

শুনা সৰ্বজন ইটো শ্ৰীৰাম চৰিত্ৰ।
আতপৰে পুণ্য নাই ই কলি যুগত ॥
হেন জানি বিষয়ৰ সুখ পৰিহৰি।
লোৱা সাধু সঙ্গ জন্ম অসাৰ নকৰি ॥৫৩
নাম গুৰু ভক্ত দেৱ সাধু সঙ্গে চিনি।
হুয়োক পৱিত্ৰ কায় ছয় ৰিপু জিনি ॥
সাধু সঙ্গে থাকি মুখে সদা লোৱা নাম।
ভনে দীন তীৰ্থনাথে বোলা ৰাম ৰাম ॥৫৪

---

## পদ

অনন্তৰে ৰাক্ষসক বধি ৰঘুপতি।
কহিবে লাগিলা কথা জানকীক প্ৰতি ॥
পূৰ্বে কহিলোহো বনে দুখ পাবা বৰ।
সাক্ষাতে দেখিলা কেনে ভৈলা অথন্তৰ ॥৫৫
ভাগ্যেসে ৰাখিলো প্ৰিয়া ৰাক্ষসক মাৰি।
চলিও লক্ষ্মণ যাওঁ ইটো বন এৰি ॥
এহি বুলি গৈলা শৰভঙ্গ মুনি স্থান।
দেখিলা আছন্ত তাতে অদ্ভুত বিমান ॥৫৬
দূৰে থাকি ৰামচন্দ্ৰে কৰে নিৰীক্ষণ।
সুৰপতি আসি মুনি কৰিছে বন্দন ॥

পূৰন্দৰে দিলা জান বাৰ্ত্তা শ্ৰীৰামৰ।
আসিবেক আজি ৰাম সাক্ষাতে তোমাৰ ॥৫৭
ৰাখিলোহো তব থানে এই ধনুৰ্ব্বাণ।
আসিলে ৰামক তুমি কৰিবা প্ৰদাণ ॥
অনন্তৰে তিনি জনে পাইলা সেহি ঠাৱ।
ৰামক দেখিয়া মুনি চালিলন্ত গাৱ ॥৫৮
আসিল নিবাক স্বৰ্গে মোক দেৱৰাজ।
তোমাক দৰ্শনে নগৈলোহো স্বৰ্গৰাজ ॥
তুমি হেন অতিথিক পাইলো মই লাগ।
আতপৰে আৰ মোৰ নাই মহাভাগ ॥৫৯
শ্ৰীৰামে বোলন্ত কথা শুনি ভৈলো ৰঙ্গ।
মোক উপদেশি স্বৰ্গে চলা শৰভঙ্গ ॥
ঋষি বোলে সুতীক্ষ্ণ মুনিৰ স্থানে যায়ো।
তান উপদেশে তথা ফল মূল খায়ো ॥৬০
এহি বুলি মুনি অগ্নি কুণ্ডক জালিল।
ৰাম ৰাম স্মৰি মুনি তাতে জাম্প দিল ॥
দহিল নিমিষে পাছে ঋষিৰ শৰীৰ।
দিব্য ৰূপ ধৰি স্বৰ্গ গৈলা মুনিবৰ ॥৬১
তান উপদেশে গৈলা সুতীক্ষ্ণৰ স্থান।
ফলে জলে মুনি কৰিলেক বহু মান।
কিছুদিন তাত বঞ্চিলন্ত ৰঙ্গ মন।
পুৰাণ কাহিনী ঋষি কৰাইলা শ্ৰৱণ ॥৬২

ঋষিক প্ৰণাম কৰি শ্ৰীৰাম লক্ষ্মণ।
হৰিষে ভ্ৰমিলা পাছে দেশ নানা বন॥
হৰিণী শূকৰ শশা কুঞ্জৰ বিস্তৰ।
দেখিলন্ত পাছে ৰাম দিব্য সৰোবৰ॥৬৩
কাহাকো নেদেখি তাত শুনি নৃত্য গীত।
নাজানি কাৰণ ৰাম ভৈলেক চিন্তিত॥
ধৰ্ম্মভৃত্য ঋষিক পুছিলা ৰঘুমণি।
সৰোবৰ মাজে কিয় গীত বাদ্য শুনি॥৬৪
ঋষি বোলে কহো শুনা কাৰণ বৃহত।
মন্দকৰ্ন্নি নামে ঋষি আছিল পূৰ্বত॥
তপৰ প্ৰভাৱে নিৰ্ম্মিলন্ত সৰোবৰ।
বিপৰীত তপে ভয় কৈলা পুৰন্দৰ॥৬৫
সবে দেৱগণে পাছে বিমৰিষ কৰি।
ঋষিক মুহিবে পঠাইলন্ত অপেস্বৰী॥
ইন্দ্ৰৰ আজ্ঞাত অপেস্বৰী গাইলা গীত।
ভঙ্গীভাৱে হাতে তাল ধৰি সুললিত॥৬৬
ভাগিল ঋষিৰ ধ্যান অতি মোহ ভৈলা।
পঞ্চ কন্যা সমে পশি সৰোবৰে ৰৈলা॥
হেন শুনি হৰিষে লক্ষ্মণ ৰাম সীতা।
মুনিৰ আশ্ৰম চাই ফুৰে চতুৰ্ভিতা॥৬৭
এহিৰূপে ভ্ৰমি দশবৰ্ষ শেষ ভৈলা।
সুতীক্ষ্ণ মুনিক নমি শ্ৰীৰাম বুলিলা॥

অগস্তিক দেখিবে আমাৰ বৰ আশ।
কৰা আজ্ঞা মুনিবৰ যাওঁ তান পাশ ॥৬৮
হোন শুনি ৰঙ্গে ঋষি ৰামক অৰ্চ্চিলা।
অগস্তিৰ আশ্ৰমৰ পথ নিৰ্দ্দেশিলা ॥
ঋষিক প্ৰণামি যান্ত কৰিয়া বিদাই।
অনন্তৰে আশ্ৰমক প্ৰৱেশিল যাই ॥৬৯
অগস্তিৰ আশ্ৰমক দেখি চমৎকাৰ।
ধন্য বুলি লক্ষ্মণে প্ৰশংসে বাৰে বাৰ ॥
ৰামে বোলে শুনা লখাই বৃত্তান্ত ইহাৰ।
আছিলন্ত পূৰ্ব্বে দুই ৰাক্ষস দুৰ্ব্বাৰ ॥৭০
ইল্বল বাতাপী নামে ৰাক্ষস দুভাই।
মায়া কৰি অনেক ব্ৰাহ্মণ মাৰি খাই ॥
জ্যেষ্ঠ জন ইল্বল ব্ৰাহ্মণ বেশ ধৰে।
পিতৃ শ্ৰাদ্ধ বুলি ঋষি নিমন্ত্ৰণ কৰে ॥৭১
বাতাপীক মেষ পশু মায়া কৰি থয়।
সবাৰো আগতে মেষ মাৰি প্ৰাণ লয় ॥
শ্ৰাদ্ধ বুলি ঋষি সকলক দিয়ে ভাত।
মেষ মাংস ব্যঞ্জন ৰান্ধিয়া পাঞ্চ সাত ॥৭২
আনন্দতে ঋষিগণে কৰয় ভোজন।
বাতাপী বাতাপী বুলি মাত তেতিক্ষণ ॥
ঋষি পেট ফালি বাতাপীয়ে বাজ হয়।
দুই ভাই মিলি সবে ভোজন কৰয় ॥৭৩

মাৰি মাৰি খাই এই ৰূপে মুনিগণ।
অগস্তি সকল কথা কৰিলা শ্ৰৱণ॥
তেতিক্ষণে গৈলা ঋষি অসুৰৰ ঠাই।
চল কৰি অন্ন ভিক্ষা মাগিলন্ত যাই॥৭৪
দূৰ হন্তে আসিলোহা ক্ষুধিত ব্ৰাহ্মণ।
মেষ কাটি মাংস মোক কৰাও ভোজন॥
ইল্বল বোলয় অতি তব পেট চোট।
ভূঞ্জিবা কিমতে একশ্বৰে মেষ গোট॥৭৫
অল্পতে শ্ৰাদ্ধৰ দিন আনিবোঁ মতাই।
সিদিনা ভূঞ্জিবা মেস হেপাস পলাই॥
অগস্তি বোলয় ভোক কোনমতে ধৰো।
শ্ৰাদ্ধক উপেক্ষি মই থাকিব নোৱাৰো॥৭৬
হেন শুনি মেষ মাৰি কৰিলা বন্ধন।
আস্তে ব্যস্তে অগস্তিক কৰাইলা ভোজন॥
মন্ত্ৰৰ প্ৰভাৱে মেষ জিৰ্ণতা কৰিলা।
অসুৰেও অনন্তৰে মাতিবাক লৈলা॥৭৭
আসিয়ো বাতাপী শীঘ্ৰ মেষৰূপ ধৰি।
ঋষিৰ উদৰ ভাই অতি বেগে চিৰি॥
ঋষিয়ে বোলন্ত কিয় বোলা হেন বাক।
অগস্তিৰ গৰ্ভ অগ্নি দহিলেক তাক॥৭৮
ইল্বলে শুনিয়া হেন খৰ্গ লৈলা তুলি।
কি কলি অগস্তি তোক মাৰিবো সমুলি॥

ক্ৰোধে ঋষি চাহিলন্ত সংহৰিবে মনে।
চক্ষু অগণিতে ভস্ম ভৈলেক তেখনে ॥৭৯
ইৰূপে মাৰিয়া দুই অসুৰ দুৰ্জয়।
তপোবন ৰক্ষা কৰি আছা মহাশয় ॥
হেনয় ঋষিক আমি কৰিবো দৰ্শন।
তেহো সমে কৰিবো হৰিষে আলাপন ॥৮০
পৰম আনন্দে গৈলা দক্ষিণৰ দিশ।
দেখিলা অনেক সংখ্যা অগস্তিৰ শিষ্য ॥
ৰামৰ সম্বাদ পাই ঋষি আনন্দিত।
কৰিলন্ত শিষ্যে আজ্ঞা আনিবে ত্বৰিত ॥৮১
যোগী গণে ধ্যান কৰি যাহাক নাপাই।
হেন পৰমব্ৰহ্ম আসি ভৈলা মোৰ ঠাই ॥
অনেক বিনয়ে ৰাম মহা ভক্তি ভাৱে।
লক্ষ্মণ সীতাৰ সমে নমিলন্ত পাৱে ॥৮২
বিনয় কৰিয়া ঋষি পুছিলা কুশল।
বহু ভাৱে অৰ্চ্চিয়া দিলন্ত ফল জল ॥
কহিলা ৰামক বহু ধৰ্ম্মৰ আখ্যান।
তুমি আসি পৱিত্ৰ কৰিলা মোৰ ঠান ॥৮৩
এই বুলি আনি ঋষি দিব্য ধনু দিল।
অক্ষয় টোনক আনি ৰামক অৰ্পিল ॥
ধনুৰ মহিমা ঋষি কহিবাক লৈলা।
দেৱৰাজে এই ধনু বিষ্ণুৱে অৰ্পিলা ॥৮৪

ইহাৰে হানিলে শৰ ব্যৰ্থক নযাই।
স্ৰজিলা ব্ৰহ্মায়ে শৰ শত্ৰু দেখি যাই ॥
বিশ্বকৰ্ম্মে অনেক যতনে গঢ়িলেক।
বাসৱে আনিয়া ধনু আমাক দিলেক ॥৮৫
এই ধনু ভৰে বসুমতি নোহে থিৰ।
দিলোহো তোমাক ধনু লোৱা ৰঘুবীৰ ॥
ঋষিক প্ৰণামি হাতে লৈলা ধনু বাণ।
বোলে আজ্ঞা কৰা মুনি যাওঁ কোন ঠান ॥৮৬
ঋষি বোলে শুনা কহো স্থান বিতোপন।
পঞ্চৱটী বনে গৈয়া থাকা তিনিজন ॥
কিন্তু সাৱধানে ৰৈবা ৰাক্ষস অনেক।
দিলো উপদেশ যত্নে ৰাখিবা সীতাক ॥৮৭
কৰযোৰে লক্ষ্মণেও বুলিলন্ত বাণী।
দিয়া মুনিৰাজ মাগো ধনু এক খানি ॥
হাসি মুনি আনি দিলা দিব্য ধনু খান।
ৰত্নে বিৰচিত দিলা অক্ষয় দুই টোন ॥৮৮
ঋষিৰ চৰণ ধূলা শিৰোগত কৰি।
চলিলন্ত পঞ্চৱটী আশ্ৰমক ধৰি ॥
পথত জটায়ু পক্ষীৰাজে দেখিলন্ত।
সাদৰে ৰামক আসি বচন বোলন্ত ॥৮৯
শুনা পৰিচয় নাম জটায়ু আমাৰ।
মই মহা মিত্ৰ জানা তোমাৰ পিতাৰ ॥

গৰুড়ৰ পুত্ৰ মই কাশ্যপৰ নাতি।
জ্যেষ্ঠ ভাই আছে মোৰ নামত সম্পাতি ॥৯০
পক্ষীৰ বচনে ৰাম সন্তোষ লভিলা।
জটায়ু সহিতে পঞ্চৱটী চলি গৈলা ॥
গোদাবৰী জলে স্নান পান কৰিলন্ত।
অমৃত সমান জল সুখে ভুঞ্জিলন্ত ॥৯১
পিতৃসখা জটায়ুক কৰি বহু মান।
আসংসীয়া পক্ষীক পঠাই নিজ ঠান ॥
পঞ্চৱটী বন দেখি হৰিষ হৃদয়।
ফল ফুলে সুশোভিত স্বৰ্গতো শোভয় ॥৯২
গোদাবৰী ঘাটে শ্বেত লোহিত প্ৰস্তৰ।
ফুল মধু পান কৰি গুঞ্জৰে ভ্ৰমৰ ॥
তৰু লতা ফুল গন্ধে দিব্য মনোহৰ।
ৰামে বোলে ইঠানত সাজা বাস ঘৰ ॥৯৩
লক্ষ্মণে সাজিলা ঘৰ কৰিয়া সুন্দৰ।
সুদৃশ্য উত্তম লতা লগাই বিস্তৰ ॥
দ্বাৰত ৰোপিলা নানা পুষ্প সাৰি সাৰি।
যাক দেখি আট্টালিকা মনে হুস্থমৰি ॥৯৪
নানা পক্ষী ৰাৱ কৰে অতি সুললিত।
অযোধ্যা অধিক শোক নাহিকে কিঞ্চিত ॥
মুণি গণ সহিতে সৰ্ব্বদা সহবাস।
কুৰঙ্গ সহিতে কৰে হাস পৰিহাস ॥৯৫

পাসৰে অযোধ্যা ৰাজ্য আনন্দ চঞ্চল ।
দিব্য বন শোভা হেৰি প্ৰফুল্ল কমল ॥
মহাস্বাদ ফল আনি যোগাৱে লক্ষ্মণ ।
হৰ্ষে স্নান পান নিতে কৰে তিনিজন ॥৯৬
আনন্দে বিষাদ মিলে দৈবৰ ঘটন ।
স্বপ্নেও অদৃশ্য তাক জানে কোন জন ॥
ৰাৱণৰ ভগ্নি তাই সুৰ্পনখা নাম ।
অকস্মাতে ভ্ৰমি পাইলা যথা আছে ৰাম ॥৯৭
মধুৰ মুৰতি শ্যাম ৰূপ মনোহৰ ।
বদন কমল যেন পূৰ্ণ শশধৰ ॥
আজানুলম্বিত বাহু কৰ্ণ ৰুছিকৰ ।
নাশা নীল তিল ফুল সৰ্ব্বাঙ্গ সুন্দৰ ॥৯৮
সিংহ ৰন্ধ স্কন্ধ নীল আকুঞ্চিত কেশ ।
ভুজ যুগ মৃণাল যেন সুকুমল বেশ ॥
বত্নৰ শলকা সম আঙ্গুলিৰ পান্তি ।
ডাৰিম্ব নিবিৰ দন্ত মুকুটাৰ কান্তি ॥৯৯
উৰু ডাম কল সুবলিত জঙ্ঘা দুই ।
চৰণৰ কান্তি পদ্ম কোশ সম দুই ॥
পদ তল ধ্বজ যৱ অঙ্কুযে অঙ্কিত ।
শত কাম দেৱ জিনি ৰূপে মনোনিত ॥১০০
হেন ৰূপ দেখি সুৰ্পণখা ভাবে মন ।
এনে স্বামী নাই যাৰ নিস্ফল জীৱন ॥

লগত সীতাক দেখি মহাতাপে তাই ।
বোলে স্বামী পাইলে এই কিনো তপসাই ॥১০১
এনুৱা পুৰুষ দেখি থাকিব নোৱাৰো ।
কোননো বুদ্ধিৰে মই আঙ্ক স্বামী বৰো ॥
বিশেষত আছে তাৰ সঙ্গত সুন্দৰী ।
তাইক এৰি কিয় নিব ৰাক্ষসৰ নাৰী ॥১০২
গলে ফাস দিওঁ কিম্বা বৰ বিষ খাওঁ ।
আৰ সঙ্গে যদি ৰতি সুখক নাপাওঁ ॥
মায়া কৰি ধৰো বেশ ত্ৰৈলোক্য মোহন ।
মোক দেখি কাম বাণে ভুলে যেন মন ॥১০৩
বৃদ্ধা ৰাক্ষসীয়ে মায়া জানয় বিশেষ ।
নিজ ৰূপ এৰি ভৈল মোহিনীৰ বেশ ॥
নবিন যৌৱন স্তন ডাৰিম্ব দুতয় ।
মুখত মিচিকা হাঁসি সঘনে তোলয় ॥১০৪
বহল হৃদয় তাইৰ সিংহ সম কটি ।
দেখিয়া পুৰুষ মৰে কাম বাণে ফুটি ॥
লয় লাস বেশ ৰূপ মদনে উন্মত্ত ।
পৰিধান পট্টবস্ত্ৰ বদন বিচিত্ৰ ॥১০৫
ৰূপৰ ৰশ্মিয়ে শোভে পঞ্চৱটী বন ।
সলজ্জিত ভাৱে ঘনে ঘনে দেখাইয়া স্তন ॥
কাম ভাৱে পুছে তেৰ কৰিয়া নয়ন ।
ৰাজ পুত্ৰ চিহ্ন শিৰে জটা কিকাৰণ ॥১০৬

J. K. College, Library
Accession No. 8233
Dibrugarh

নৱ দুৰ্ব্বাদল আহা শ্যাম মনোহৰ।
সুন্দৰ শৰীৰ তাতে যৌবনৰ ভৰ ॥
ইহেন পুৰুষ জন্মি খাতা বনবাস।
নসহে পৰাণ তব নেদেখি আবাস ॥১০৭
পট্টবস্ত্র এৰি কিয় গছৰ বাকলি।
মাণিকত ঘুণ হায় বিধি কিকৰিলি ॥
কাহাৰ তনয় তুমি কিবা ধৰা নাম।
কিবা জাতি কুল তব বাস কোন ধাম ॥১০৮
সঙ্গীয় যুৱক কোন আৰু এই নাৰী।
কিবা হেতু ফুৰা বনে কহিয়ো বিস্তাৰি ॥
গম্ভীৰ স্বভাবে ৰাম দিলেক উত্তৰ।
মম পিতা দশৰথ নাথ ত্রৈলোকৰ ॥১০৯
সঙ্গে অৰ্দ্ধাঙ্গিনী সীতা ভ্ৰাতৃযে লক্ষ্মণ।
পিতৃ সত্য পালি আমি আসিলোহো বন ॥
পৰম সুন্দৰী তুমি ৰূপে অতুলনা।
অকলে বনত কিয় ভ্ৰমা সুনয়না ॥১১০
শঙ্কৰৰ ভাৰ্য্যা কিবা তুমিসে পাৰ্বতী।
মেনকা উৰ্ব্বশী কিম্বা দুহিকা ৰেৱতী ॥
কাৰ ভাৰ্য্যা কৈত বাস দেৱকি মানুষ।
দিয়া পৰিচয় শুনু তোমাৰ বিশেষ ॥১১১
সুৰ্পণখা বোলে শুনা মোৰ পৰিচয়।
লঙ্কাপতি নাম যাৰ ৰাৱণ দুৰ্জ্জয় ॥

কুম্ভকৰ্ণ বিভীষণ ভ্ৰাতৃ ৰাৱণৰ।
আৰু খৰ দূষণ প্ৰধান বীৰবৰ॥১১২
তাহাৰ ভগিনী সুৰ্পণখা নাম মোৰ।
বসতি সদাই স্বৰ্ণময় লঙ্কাপুৰ॥
অসংখ্যা ৰাক্ষস ভ্ৰাতৃ খৰযে দূষণ।
মুনি গণ মাৰি খাওঁ থাকি ইটো বন ১১৩
ভ্ৰমন্তে ভাগ্যেসে তব ভৈলো দৰশন।
অপূৰ্ব্ব সুন্দৰ দেখি ভুলি গলো মন॥
নবিন যৌৱন হেৰা দিয়া আলিঙ্গন।
নোৱাৰো থাকিব দেখি তোমাৰ বদন॥১১৪
নহয় সুন্দৰী সীতা মনুষ্যৰ নাৰী।
প্ৰেমৰ আলাপ কৰা তাইক শীঘ্ৰ এৰি॥
কু-বেশ কুচ্ছিত সীতা দেখি কদাকাৰ।
এইৰ লগে ৰতি সুখ কি ঘটে তোমাৰ॥১১৫
ভুবন মোহিনী মই পূৰ্ণ শশী কলা।
মোক ভাৰ্য্যা লই তুমি যৌৱন সাফলা॥
সুমেৰু পৰ্ব্বত কিম্বা কৈলাস মন্দৰ।
মনুষ্য অগম্য স্থান দেখাবো বিস্তৰ॥১১৬
থাকিবোহো যৈত নাই মনুষ্য সঞ্চাৰ।
ৰাতি দিনে মোক লৈ কৰিবা বিহাৰ॥
আহা প্ৰাণনাথ দিয়া প্ৰেমৰ চুম্বন।
তোমাৰে আমাৰে হৌক ৰতি বিতোপন॥১১৭

কামানলে দগ্ধ মই থাকিব নোৱাৰোঁ।
ধৰা আলিঙ্গিয়া নাথ প্ৰাণ জুৰ কৰোঁ ॥
সুলক্ষীয়ে লৈলো লাগ আসিয়া তোমাৰ।
সীতাক এৰিয়া মাত্ৰ মোকে কৰা সাৰ ॥১১৮
পৰিহাস কৰি হাঁহি বুলিলন্ত ৰাম।
ধন্যতো জীৱন তোৰ সুৰ্পণখা নাম ॥
কিন্তু মনে দুখ মোৰ শুনা সুবদনি।
মোৰ ভাৰ্য্যা ভৈলে পাবা লগত সতিনী ॥১১৯
এনে ৰূপৱতী কোন সতিনী খাটয়।
খটাববো যোগ্য মই নহওঁ নিশ্চয় ॥
যৌৱন লক্ষ্মণ ভাই মনোহৰ বেশ।
তাক তুমি বৰা স্বামী দিলো উপদেশ ॥১২০
সঙ্গে তাৰ ভাৰ্য্যা নাই তান পাশে যোৱা।
ৰাতি দিনে ৰতি ভূঞ্জি হেপাস পলোৱা ॥
ৰামৰ বচন সত্য মানি সুৰ্পণখা।
কামভাৱে লক্ষ্মণক দিলে গৈয়া দেখা ॥১২১
লক্ষ্মণৰ ৰূপ দেখি তুষ্ট ভৈল মন।
মনে বোলে এবে মোৰ সাফল যৌৱন ॥
সুৰ্পণখা বোলে শুনা লখাই মহাবীৰ।
কামদেৱ শোভে যেন তোমাৰ শৰীৰ ॥১২২
হেনয় যুৱক সঙ্গে নাহিক যুৱতী।
ভাৰ্য্যা বিনে কিয় দুখে বঞ্চা তুমি ৰাতি ॥

বঞ্জিবে যুৱক মোক স্ৰজিলা বিধতা ।
তুষিবে তোমাক মই আসি উপগতা ॥১২৩
যুৱক যুৱতী দুয়ো নহে কোনো চাৰ ।
ঘটোক ৰমণ সুখ তোমাৰ আমাৰ ॥
তাতে দিব্য পঞ্চৱটী অপূৰ্ব শোভন ।
মলয় শীতল বায়ু বহে ঘনে ঘন ॥১২৪
ই সময়ে আসা ক্ৰীড়া কৰো আৰম্ভণ ।
ৰতি সুখে কৰো আজি সাফল যৌৱন ॥
যিমতে বাৰিষা পানী নথাকয় ৰহি ।
সিমতে যৌৱন কাল নিতে যাই বহি ॥১২৫
যুৱকৰ ধন যুৱতীসে জানা সাৰ ।
দুৰ কৰা শীঘ্ৰে মোৰ মদন বিকাৰ ॥
বোলন্ত লক্ষ্মণে পাছে শুনা সুৰ্পণখা ।
নৰহে যুৱক প্ৰাণ তোমাক নিৰেখি ॥১২৬
কিন্তু পৰাধিণ মই শ্ৰীৰামৰ দাস ।
অমৃত এৰিয়া কিয় খাৰণিক খাস ॥
ত্ৰিভুৱনে সাৰ ৰাম অযোধ্যাৰ ৰাজা ।
তাৰ ৰাণী ভৈলে তুমি পাবা নানা পূজা ॥১২৭
মোৰ ভাৰ্য্যা ভৈলে দাসী হবা জানকীৰ ।
উচ্ছিষ্টক ধুইবে সদা লাগিবে সীতাৰ ॥
দাসী কাৰ্য্যে থাকি পাবা অনেক নিকাৰ ।
দাসক ভজিলে স্বামী কি সুখ তোমাৰ ॥১২৮

দাসী কাৰ্য্যে থাকি মোক দেখিয়ো নেপাবা।
মোত আশে যুৱ কাল মিছাতে কটাবা ॥
নোহে ৰূপৱতী সীতা সমান তোমাৰ।
অৱশ্যে বৰিবে ভাৰ্য্যা ৰাঘৱে ইবাৰ।১২৯
তোমাৰ যৌৱন ইটো ৰামতে সম্ফলা।
পালটী চুনাই শ্ৰীৰাম পাশে চলা ॥
লক্ষ্মণৰ বাক্য তাই সাৰ মানি লৈলা।
পৰিহাস নাজানি ৰামৰ পাশে গৈলা ॥১৩০
ৰামক বোলন্ত মোক নাদৰে লক্ষ্মণ।
আসিলো পুনৰ মই তোমাৰ কাৰণ ॥
মানুষী সীতাক বৰ মানিয়া সুন্দৰী।
তাক মনে মানা ভাল বিচাৰ নকৰী ॥১৩১
মানুষী সতিনী তাই কিক ঘাট চাওঁ।
এইক মাৰি এবে মোৰ প্ৰমাদ গুচাওঁ ॥
এইক বধিলেসে মোৰ বাঞ্চিত পূৰণ।
আনন্দ মনেৰে পাছে কৰাইবো ৰমণ ॥১৩২
এহি বুলি ৰামৰ ভাৰ্য্যাক খাইবে মনে।
ঘোৰ ৰাক্ষসীৰ বেশ ধৰিলা তেখনে ॥
ভয়াঙ্কৰ ৰূপ ভৈলা পেট গোট খাল।
লহ লহ জিহ্বা খান দেখিবে বিশাল ॥১৩৩
আকট বিকট দন্ত উচ্চ নাক গোট।
জুটুলা জুটুলি চুলি লেৰুৱা দুই ওঁঠ ॥

খহটা ডিমৰু হেন গাৱৰ প্ৰভাৱ।
লোম চয় উভটা ভেঙ্গুৰা তুই পাৱ ॥১৩৪
মুখ মেলি জানকীক গিলিবাক যাই।
ৰাক্ষসীক দেখি সীতা ডৰে কাম্পে কাই ॥
ত্ৰাসত ব্যাকুলা সীতা যেহি দিকে যাই।
খাওঁ বুলি ৰাক্ষসীয়ে সেহি দিকে ধাই ॥১৩৫
স্বামীৰ গাৱত ধৰি দেৱী ভৈলা আৰ।
তথাপি ধৰিবে খোজে কেশত সীতাৰ ॥
আথে-বেথে ৰাম তাইৰ আগ ভেটিলন্ত।
ইঙ্গিতে ৰাঘৱ লক্ষ্মণক বুলিলন্ত ॥১৩৬
ৰাক্ষসৰ হাতে জানকীক কৰা ত্ৰাণ।
শীঘ্ৰ আসি কাটা ভাই এইৰ নাক কাণ ॥
বুজিয়া লক্ষ্মণ ক্ৰোধে খাণ্ডা ধৰি ধাই।
কাটিলেক নাক কাণ গুৰিতে চপাই ॥১৩৭
স্ত্ৰী ৱধ ভয়ে মাত্ৰ প্ৰাণক ৰাখিল।
চক্ষু মুখ ঢাকি তাইৰ ৰুধিৰ বহিল ॥
নাকৰ কাণৰ তেজ নিজেই পিলেক।
আৰ্ত্তনাদ কৰি তাই ৰৱৰ দিলেক ॥১৩৮
হুমাহুমি কান্দে শব্দ গগনে উধাই।
লক্ষ্মণে পাইলেক বুলি পুনু ফিৰি চাই ॥
শুনা সৰ্বজন ইটো ৰামৰ চৰিত্ৰ।
কৰিলা অনেক লীলা সংসাৰে বিচিত্ৰ ॥১৩৯

ঘোৰ কলি যুগে তৰিবাৰ কৰা কাম ।
সাধু সঙ্গে থাকি পীয়ো ৰস ৰাম নাম ॥
সংসাৰ নিকাৰ ঘোৰ তেবেসে তৰিবা ।
ইহেন মানবী জন্ম চুনাই নেপাবা ॥১৪০
হৃদিত মাধৱ ৰূপ মুখে লোৱা নাম ।
ভণে দীন তীৰ্থনাথে বোলা ৰাম ৰাম ॥১৪১

---

## ছবি

কান্দি কান্দি সুৰ্পণখা খৰ দুষণৰ আগে
পৰিলন্ত ঘৰামূৰি খাই
বিষে মুখে মাত নাই তধা দিয়া আছে চাই
যেন মৃতকৰ বেশ তাই ॥১৪২
অনন্তৰে সুৰ্পণখা সেহাই ফোপাই কথা
ধীৰে ধীৰে লৈলা কহিবাক ।
শুনা মোৰ দুই ভাই ভ্ৰমি পঞ্চৱটী যাই
দেখিলোহো ত্ৰিগোটা নৰক ॥১৪৩
টুন বাণ খৰ্গ হাতে শ্ৰীৰাম লক্ষ্মণ নাথে
লগে সীতা ভুৱন মোহিনী ।
নৰ মাংস ভুঞ্জিবাক বহু দিন হন্তে আশ
আছিলন্ত তোমাৰ ভগিনী ॥১৪৪
ধৰি তাক খাইবে মই ওছৰ চাপিলো গই
দেখি মোক তপস্বী লক্ষ্মণ ।

খেদি আসি ক্রোধ কৰি চুলিত টানিয়া ধৰি
নাক কাণ কৰিলা কৰ্ত্তন ॥১৪৫
দেখিয়া বিপত্তি মোৰ কিবা চাহা আগগোৰ
এতিক্ষণে সাধা প্রতিকাৰ।
তিনিৰে তেজক লই খাইবে যদি পাওঁ মই
তেবে মন সন্তোষ আমাৰ ॥১৪৬
ৰাক্ষস কুলত নৰ ৰাখিলেক থিলিঙ্কাৰ
নাক কাণ কৰি মসিমুৰ।
ত্রিদশেও খাটে যাক কেন্নুৰা বিলাই মোৰ
ৰাৱণৰ প্রিয় ভগিনীৰ ॥১৪৭
ৰাৱণ ভগিনী মই কোন লাজে লঙ্কাগই
দেখাইবোহো কটা নাক কাণ।
দেখি হাসিবেক মোক কুৰূপ কুচিত মুখ
এই শোকে কেনে নেযাই প্রাণ ॥১৪৮
কটা নাকে ধূলি মাটী ৰুধিৰ ধাকিবে পৰি।
নোৱাৰি গজাব কাণ নাক।
ৰাজাৰ ভগিনী হায় বিষে মোৰ ধাতু যায়
নলাগয় মোক ইদেহাক ॥১৪৯
ভগ্নিৰ অৱস্থা দেখি খৰ দূষণেও গৰ্জ্জি
বোলে কোন পাপী দুৰাচাৰ।
ৰাৱণৰ ভগিনীক কোনে সিটো নিচিনিল
কাৰ কত কতাই আছে ঘাৰ ॥১৫০

মৃগ হৈয়া ধৰে বাঘ শৃগাল সিংহৰ আগ
পশু হৈয়া জোঙ্কালেক হাতী ।
খঙ্গাল গোমৰ গাৰে কোনে হেঞ্চা দিলে পাৰে
যমক আছয় কোনে মাতি ॥১৫১
এহি বুলি মহাক্রোধে চতুৰ্দ্দশ মহাবীৰে
সমৰক আদেশ কৰিলা ।
সত্বৰে তপস্বী মাৰি ৰুধিৰ পিয়ায়ো ধৰি
শুনি ৰঙ্গে সবে সাজ ভৈলা ॥১৫২
বাঘ হেন চৌধ বীৰ সমৰে কৰিয়া স্থিৰ
চলিলন্ত গিৰসিত কৰি ।
আৰ্ত্তনাদে কাণ ফাটে সুৰ্পণখা চলে আগে
খোজত লৰয় বসুন্ধৰী ॥১৫৩
শীঘ্র পঞ্চৱটী পাইল শ্রীৰাম বুলিবে লৈল
ৰণে আইলা ৰাক্ষস সকল ।
সীতাক ৰাখিবা তুমি যুজিবাক যাওঁ আমি
দিওঁ ৰাক্ষসক প্রতিফল ॥১৫৪
এহি বুলি ধনু লই ৰাম আগ বাঢ়ি গই
ৰাক্ষসক বোলন্ত বচন ।
পিতৃ আজ্ঞা শিৰে ধৰি নিজ ঠান পৰিহৰি
ফল মূল ভূঞ্জি ফুৰো বন ॥১৫৫
বিনা দোষে আমাসাক খেদিয়া আসিছা কিক
পালটীয়া চলা সৰ্ব্বজন ।

ক্ৰোধত ৰাক্ষস বোলে তোক আজি পাইলে কালে
হৈবে আজি তিনিৰো মৰণ ॥১৫৬
যাৰ নাম লঙ্কেশ্বৰ স্থূৰ্পণখা ভগ্নি তাৰ
অন্যায়ে কাটিলি নাক কাণ।
ৰাক্ষসৰ ভক্ষ নৰ স্ত্ৰীৰ আগে গৰ্ব্ব তোৰ
তাৰ আজি স্থজিবোহো মান ॥১৫৭
এহি বুলি শূল ধৰি মাৰিলেক ঝাত কৰি
বৰষিলা মুষল মুদগৰ ।
দেখি ৰামে তুলি হাসি ধনুৰ গুণক মাজি
ৰাক্ষসক হানিলন্ত শৰ ॥১৫৮
শৰ ছেদি ৰাক্ষসৰ বিন্ধিলেক কলেৱৰ
ক্ৰোধত ৰাক্ষসে বেড়িলেক ।
এই বেলি যম লোক নিশ্চয়ে দেখাবো তোক
বুলি শূল সবে হানিলেক ॥১৫৯
হানি ৰামে চৌধ শৰ শূল ছেদি নিৰন্তৰ
শিলিমুখ হানিলা পুনৰ ।
হৃদয়ত ফুটী গৈল পিঠি পাছে সৰকিল
নিকলিলা প্ৰাণ ৰাক্ষসৰ ॥১৬০
ধৰণীত পৰি ৰৈল যেন ভূমিকম্প গৈল
দেখিলেক তাক নিশাচৰী।
ভয়ত বিহ্বল কাই জানো আসি মোক পাই
বুলি পালটীয়া গৈলা লৰি ॥১৬১

চৌধ্বয় ৰাক্ষস বধি শৰ পুনু টুণে আসি
পশিয়া ৰহিলা ৰাঘৱৰ ।
নিজ ঠানে গৈল ৰাম লক্ষ্মণ জানকী দেখি
লভিলন্ত কৌতুক বিস্তৰ ॥১৬২
শুনিয়োক সভাসদ ৰামৰ চৰিত্ৰ পদ
পাতকৰ সাক্ষাতে অন্তেক ।
ধৰ্ম্ম মোক্ষ আদি কাম সিজে সবে অবিৰাম
পাৱে অন্তে মুকুতি পদক ॥১৬৩
হে প্ৰভু দয়াময় গুছায়ো সংসাৰ ভয়
দিয়া প্ৰভু ভক্তৰ সঙ্গতি ।
এতেক বাঞ্ছিয়া মনে দীন তীৰ্থনাথে ভণে
যেন তযু নামে থাকে ৰতি ॥১৬৪

---

## পদ ।

শুনিয়োক যেন কথা ভৈলন্ত পাছত ।
কহে কথা সুৰ্পণখা দুভাইৰ আগত ॥
শ্ৰীৰাম লক্ষ্মণ দুই বিৰত্বে প্ৰধান ।
মোহোৰ বাক্যৰ তই দুবুজি প্ৰমাণ ॥১৬৫
শ্ৰীৰামৰ ভয়ে তই প্ৰাণক ৰাখিলি ।
চৌধ ৰাক্ষসক তই মিছাতে মৰালি ॥
মাত্ৰ ৰাৱণৰ আগে মুনিষ বোলাই ।
ৰাক্ষসৰ অধিকাৰ তই আছ পাই ॥১৬৬

তোহোৰ বীৰত্বে মাত্ৰ ঋষি মাৰি খাস।
ধীক এই জীৱন তোৰ মৰিয়ো নযাস ॥
ৰাক্ষস কুলত জন্মি তই কুলাঙ্গাৰ।
কি কৰিবি এই মুখে মোৰ প্ৰতিকাৰ ॥১৬৭
তই বীৰ ভৈল মাত্ৰ পৃথিৱীৰ ভাৰ ।
দুঃখ সাগৰত হায় নভৈলো উদ্ধাৰ ॥
ৰাজ ভগিণীৰ এই মনুষ্যৰ মান ।
নথাকো জীয়াই মই তেজিবো পৰাণ ॥১৬৮
ভগিণীৰ বাক্য শুনি ক্ৰোধে বোলে খৰ ।
কিকাৰণে হেন কথা বকস বিস্তৰ ॥
ৰামক বধিবে পঠাইলোহো চৈধ্য বীৰ ।
পৰিল ৰণত শুনি কৰিলোহো স্থিৰ ॥১৬৯
হেন কোটী ৰামে মোৰ নাহি কয় ডৰ ।
দুভাইক পঠাবো আজি নিজে যমঘৰ ॥
এক গদা ঘাতে তাৰ প্ৰাণক নাশিবো ।
ৰাম লক্ষ্মণৰ তেজ তোমাক পিয়াবো ॥১৭০
কৈত শুনি আছা ভগ্নি ৰণে মই ভঙ্গ ।
এতেক শুনিয়া সুৰ্পণখা মনে ৰঙ্গ ॥
সুৰ্পণখা প্ৰসংশিলা ভাইক ঘনে ঘন ।
দুষণক মাতি খৰে বুলিলা বচন ॥১৭১
ৰণ সাজে অস্ত্ৰ-সস্ত্ৰ সাজিয়া সত্বৰ ।
চৌধ সহস্ৰেক যত বীৰ ৰাক্ষসৰ ॥

সবে ৰণ সাজে শীঘ্ৰ চৰিয়ো ৰথত।
মোৰ ৰথ খান সাজি আনিয়ো ত্বৰিত ॥১৭২
খৰৰ বচনে দিব্য ৰথ যোগাইলা।
যুদ্ধৰ যতেক অস্ত্ৰ ৰথত তুলিলা ॥
বাজ ভৈলা ৰাক্ষস সবে যুজিবাক মন।
মেৰু শিখৰত যেন কাল মেঘ খন ॥১৭৩
চাৰি পাশে বেৰি যাই যত নিশাচৰ।
মনুষ্য থাকুক ভয় লাগে দেৱতাৰ ॥
ৰথ ভৰে বসুমতি ঘনে ঘনে কাম্পে।
ৰথৰ যতেক ঘোৰা থিয় লাঞ্জে জাম্পে ॥১৭৪
সেহি বেলা অমঙ্গল ভৈলা অভ্যুদয়।
আকাশত দুই সূৰ্য্য ভৈলেক উদয় ॥
পাতাল পৃথিৱী কম্পে পৰিয়া নিৰ্ঘাত।
শগুণ আসিয়া পৰে ৰথৰ ধ্বজাত ॥১৭৫
ঢোন্দা কাকে দেই ৰাৱ দক্ষিণত পৰি।
শৃগালে গৰ্দ্দভে ৰাৱে আৰ্ত্তনাদ কৰি ॥
ইত্যাদি অনেক দেখিলেক উতপাত।
তথাপিতো বোলে চিন্তা কিছু নাই তাত ॥১৭৬
যাক বোলে অজয় বিজয় বীৰ খৰ।
পাৰোহো জিনিবে ত্ৰিভুবন একেশ্বৰ ॥
এহি বুলি চলে সবে যেন যম কাল।
ধৰধৰ মাৰ মাৰ কৰিয়া আস্ফাল ॥১৭৭

দূৰ হন্তে দেখি ৰাম ৰাক্ষস সৈন্যক ।
স্বাদ ফল এৰ হেৰ বোলে লক্ষ্মণক ॥
সুৰ্পণখা ৰণ হেতু আনে নিশাচৰ ।
ৰামে বোলে লখাই আৰে হাতে ধনু ধৰ ॥১৭৮
জানকীক লৈয়া পশা গহ্বৰ ভিতৰ ।
ৰণে যাওঁ জানকীক ভালে ৰক্ষা কৰ ॥
এহি বুলি সুবৰ্ণ সন্নাহ পিন্ধিলন্ত ।
আদিত্য জিনিয়া ৰাম শোভা ধৰিলন্ত ॥১৭৯
হাতে ধনু শৰ ধৰি ৰাম ভৈল থিয় ।
ৰাক্ষস দলৰ দেখি উৰি গৈলা জীৱ ॥
সিংহক দেখিয়া যেন পশু চমকিল ।
এইৰূপ নিশাচৰ চমকি ৰহিল ॥১৮০
খৰে বোলে কিয় থমকিল সৈন্যগণ ।
সাগৰ স্তম্ভিল যেন একি কুলক্ষণ ॥
দুষণে জিজ্ঞাসি পাছে খৰত জনাইল
ৰামক দেখিয়া ভয়ে থমকি ৰহিল ॥১৮১
হেন শুনি সাৰথিক বোলে ৰথ ডাক ।
ৰামৰ পাশক শীঘ্ৰে নিয়োক আমাক ॥
অকল ৰামক দেখি হৰিষ লভিল ।
মৃগক ধৰিবে যেন সিংহ গোট ধাইল ॥১৮২
ৰাক্ষসে পাছত সবে কৰি ধৰ মাৰ ।
মুষল মুদ্গৰ নানা যিবা অস্ত্ৰ যাৰ ॥

হানিল ৰামক বেৰি ভৈলা অন্ধকাৰ ।
পৰয় সঘনে বৃষ্টি যেন বাৰিষাৰ ॥১৮৩
হৈ হৈ শব্দ কৰে পৃথিৱী কোহ্লাল।
দেখিয়া হাসন্ত ৰাম ত্ৰিভুৱন-পাল ॥
কৰিলা টঙ্কাৰ ৰামে কৰ্ণে লাগে তাল।
পৰিলা ৰাক্ষস কতো খাইয়া আস্ফাল ॥১৮৪
ক্ৰোধে নাৰাচক যুৰি হানিয়া পাঠাইলা ;
ৰাক্ষস দলত পশি সবাকো কাটিলা ॥
ৰামৰ অব্যৰ্থ অস্ত্ৰ যাৰ গাত পৰে ।
হাত ভৰি আছাৰিয়া তেতিক্ষণে মৰে ॥১৮৫
বাণৰ উপৰে বাণ শব্দ কোলাহল।
আপোন পৰক কেহো নিচিনে কেৱল ॥
পলাই ৰাক্ষস দল নাই অবিশ্ৰাম।
যিদিশে পলাই ভয়ে তাতে দেখে ৰাম ॥১৮৬
শৰ অগনিত ৰাক্ষস চাৰ খাৰ ।
সূৰ্য্যৰ পোহৰ গৈল গুছিল আন্ধাৰ ॥
মাংসৰ কৰ্দ্দম নদী বহে শোণিতৰ।
আশ্বাসি দুষণে বোলে ক্ৰোধ কৰি বৰ ॥১৮৭
ৰামক ৰধিবো মই ৰহ সৈন্য গণ।
এহি বুলি শৰ ক্ৰোধে প্ৰহাৰে দুষণ ॥
মায়া বাণ মাৰি বীৰ গগন ঢাকিল।
চক্ষুৰ নিমিষে ৰাম তাহাক কাটিল ॥১৮৮

পুনু শৰ মাৰি সৈন্য নিপাত কৰিলা ।
পাঞ্চ শৰ দূষণেও ক্রোধে প্রহাৰিলা ॥
হৃদয়ত ফুটি ৰাম ভৈলেক মূৰ্চ্ছিত ।
বহিল ৰুধিৰ আতি শ্যাম শৰীৰত ॥১৮৯
ক্ষণেকে চেতন লভি মাৰে ষাঠি শৰ ।
পৰিল দূষণ বীৰ ৰথৰ উপৰ ॥
চেতন লভিয়া পুনু হানিলেক শৰ ।
চক্ষুৰ নিমিষে কাটিলেক ৰঘুবৰ ॥১৯০
প্রহাৰিলা ৰামে পাছে এক গোটা বাণ ।
দূষণৰ হাতৰ কাটিলা ধনু খান ॥
ধনু কাটিবাৰ দেখি দূষণে খঙ্গিলা ।
পৰিঘ ধৰিয়া পাছে ৰাঘৱক ধাইলা ॥১৯১
পৰিঘৰ ৰশ্মি জ্বলে যেহেন আদিত্য ।
দেখিয়া ত্রিদশ দেৱ ভয়ে ভৈলা ভীত ॥
চমৎকাৰ দেখি যেন বজ্রৰ অগনি ।
মহা দম্ভে চলে বীৰ কাহাকো নগণি ॥১৯২
দেখিয়া ৰামৰ মনে শঙ্কা উপজিলা ।
পৰিঘা কাটিবে শৰ সহস্র মাৰিলা ॥
পৰিঘত পৰি সবে নাশ ভৈল শৰ ।
বৃষ্টি জলে কি কৰিবে যেন পৰ্ব্বতৰ ॥১৯৩
শৰ নাশ দেখি ৰাম হৃদয় কম্পিল ॥
নোৱাৰো কাটিব জানি মনত গুণিল ॥

ক্ষুৰপতি দুই অস্ত্ৰ ক্ৰোধে প্ৰহাৰিলা।
পৰিঘ সহিতে দুই বাহুক ছেদিলা ॥১৯৪
বাহু যেবে কটা গল দুষণ পৰিলা।
মহা শব্দ কৰি যেন পৰ্ব্বত ভাগিলা ॥
ভ্ৰাতৃৰ মৰণ দেখি ক্ৰোদ্ধে খৰ ধাই।
পশুক ধৰিবে যেন সিংহ গোটে যাই ॥১৯৫
ত্ৰিশিৰা বোলয় তুমি কৰিয়ো বিশ্ৰাম।
দেখা এতিক্ষণে মই বধিবোহো ৰাম ॥
এহি বুলি ৰামক মাৰিলা দশ শৰ।
তাৰ চোট দেখি নসহিলা ৰাঘৱৰ ॥১৯৬
বায়ুবেগে শৰ মাৰিলেক চৌধ পাত।
বজ্ৰ ফুটিলেক যেন ত্ৰিশিৰাৰ গাত ॥
যোল শৰ মাৰি চাৰি ঘোড়াক কাটিলা।
সাত শৰে ৰথ কাটি ভূমিতে পাৰিলা ॥১৯৭
আঠ শৰে মাঠা কাটীলন্ত সাৰথিৰ ॥
মাৰিলন্ত দশ শৰ ক্ৰোধে মহাবীৰ ॥
ত্ৰিশিৰাৰ শৰে আসি ৰামক ভেদিল।
নৱ শৰে তাৰ তিনি মাঠাক কাটিল ॥১৯৮
পৰিল ত্ৰিশিৰা ৰণে দেখিলেক খৰ।
মনত ভাবয় এবে ভৈলো একেশ্বৰ ॥
কিন্তু ইটো অদ্ভুত শকতি মনুষ্যৰ।
ৰাক্ষস মাৰিয়া চন্ন কৰিলা আমাৰ ॥১৯৯

পালাইলেক নিশাচৰ দশোদিকে যাই।
ৰামৰ অব্যৰ্থ অস্ত্রে খেদি খেদি খাই ॥
সাৰথিক খৰে বোলে ৰথ শীঘ্র ডাক।
নতু মই মৰো ৰণে নতু মাৰো তাক ॥২০০
ডাক দিয়া বোলে তোৰ দেখো অহঙ্কাৰ।
দেৱগণে মোক ডৰে তই কোন চাৰ ॥
কিমান বীৰত্ব তোৰ আজি যাব দেখা।
মোৰ হাতে মৃত্যু তোৰ নিস্তে আছে লিখা ॥২০১
শ্রীৰামে বোলন্ত আজি তোৰ লৈবো প্রাণ।
নপলাবি স্মৰিও ভগ্নীৰ নাক কাণ ॥
এতেক শুনিয়া ক্রোধে মাৰিলেক শৰ।
ঢাকিল আকাশ ৰশ্মি নাহিকে সূৰ্য্যৰ ॥২০২
নচলে বতাস ভৈল ঘোৰ অন্ধকাৰ।
আপোন পৰক নিচিনয় কেৱে কাৰ ॥
দেখিয়া শ্রীৰামে হাসি ধনু টঙ্কাৰিলা।
একবাৰে স্বৰ্গ মৰ্ত্ত্য পাতাল লৰিলা ॥২০৩
শৰ হানি গুছাইলেক ঘোৰ অন্ধকাৰ।
দুহানো যুজাৰো শৰ জানন্ত বিস্তৰ ॥
চাৰিলা ৰাঘৱে পাছে ক্ষুৰপতি বাণ।
খণ্ড খণ্ড কৰিলা খৰৰ ধনুখান ॥২০৪
চক্ষুৰ নিমিষে খৰ আন ধনু লৈলা।
ৰাঘৱৰ ধনু কাটি মাটিত পৰিলা ॥

8233
LIBRARY
Accession No.

আৰু বাণ মাৰিলেক ৰামৰ গাৱত।
ফুটিল কঠিন ভাবে মুখে নাই মাত ॥২০৫
শৰীৰ নসহে ৰাম মূৰ্চ্ছিত ভৈলন্ত।
কতো বেলি পৰে ৰাম চেতন পাইলন্ত॥
অগস্তিৰ হন্তে ৰাম যিবা ধনু পাইলা।
সি ধনু ধৰিয়া হাতে শৰ প্ৰহাৰিলা ॥২০৬
বিষ্ণুশৰ মাৰি তাৰ ধ্বজ ছেদিলন্ত।
দুজনৰ শৰে দুয়ো জৰ্জ্জৰ ভৈলন্ত॥
এক এক শৰে শত সৈন্য মাৰিলন্ত।
চতুৰ্দ্দশ সহস্ৰ ৰাক্ষস পৰিলন্ত ॥২০৭
বহয় ৰুধিৰ ক্ষত-বিক্ষত কলেৱৰ।
পুষ্পিত পলাশ যেন দেখি দুহান্তৰ॥
পাছে ৰাম তিনি শৰ মাৰিলা হিয়াত॥
এক শৰে ধ্বজ কাটি পাৰিলা ভূমিত ॥২০৮
এক শৰে কাটিলেক সাৰথিৰ মুণ্ড।
এক শৰে ধনু তাৰ কৰিলা দ্বিখণ্ড॥
কাটিলা ৰথৰ ঘোড়া মাৰি অগ্নিবাণ।
কাটিলা খৰৰ ৰথ কৰি খান খান ॥২০৯
খৰৰ বিপত্তি দেখি হৰ্ষ দেৱগণ।
দুন্দুভি শবদ কৰিলন্ত ঘনে ঘন॥
গদা ধৰি খৰ বীৰ ভূমিত নামিল।
কম্পিল পৃথিৱী সাতো পাতাল লৰিল ॥২১০

শ্ৰীৰামে বোলন্ত খৰ শুনৰে পাপীষ্ঠ ।
ঋষি সকলক মাৰি কৰিলি অনিষ্ট ॥
তাৰ প্ৰতিফল আজি হাতে হাতে পাবি ।
মোৰ হাতে আজি তই যম ঘৰে যাবি ॥২১১
খৰে বোলে কিয় তোৰ মনত উল্লাস ।
গদাৰ কোবত কৰিবোহো সৰ্ব্বনাশ ॥
সহজে মনুষ্য তই বুদ্ধি অলপিক ।
আপোনাৰ নিজ গুণ বখানহ কিক ॥২১২
গুণীৰ গুণক শুন বখানে আনেসে ।
সুগন্ধী পুষ্পৰ গন্ধ নেই পবনেসে ॥
ত্ৰিদশ দেৱতা তোৰ হুয়োক সহায় ।
তথাপি বধিবো তোক মোৰ ভয় নায় ॥২১৩
এহি বুলি গদা ধৰিলেক ভয়াঙ্কৰ ।
মন্ত্ৰ পঢ়ি হানিলেক শ্ৰীৰাম উপৰ ॥
মহা বেগে ধাই গদা যেন যমদণ্ড ।
তল বল কৰয় পৃথিৱী সাতো খণ্ড ॥২১৪
খলকিল সাগৰ লৰিল নাগপুৰ ।
দেখি ভয়ে চমকিল দেৱতা অসুৰ ॥
যি দিশে চলয় গদা অগনি উধাই ।
গদাত পৰিয়া শৰ চাই হুয়া যাই ॥২১৫
মনত তৰাসে ৰাম এৰে অগ্নিবাণ ।
কাটিলেক গদা তাৰ কৰি খান খান ॥

ধূমকেতু শব্দ যেন ভূমিত পৰিল।
অনন্তৰ ফণা সমে পৃথিৱী কম্পিল ॥২১৬
বোলন্ত শ্ৰীৰামে তাক পাপীষ্ঠ বৰ্ব্বৰ।
ক্ষণিকে পঠাবো তোক মাৰি যমঘৰ।
খৰে বোলে তই হেন নোবোল বচন।
অস্ত্ৰহীন দেখি তোৰ আনন্দিত মন ॥২১৭
মোৰ অস্ত্ৰ আছয় পৰ্ব্বত তৰু গণ।
কোবাই পঠাবো তোক যমৰ সদন ॥
এহি বুলি পৰ্বতেক উৎপাৰিয়া লৈলা।
মহা ক্ৰোধে খৰ বীৰে ৰামক হানিলা ॥২১৮
ক্ৰোধিয়া ৰাঘৱে শীঘ্ৰ হাতে ধনু ধৰি।
কাটিলা পৰ্ব্বত তাৰ ছুই খণ্ড কৰি ॥
খৰৰ শৰীৰ বিন্ধি জৰ্জৰ কৰিল।
শোণিতে ভেজিল গাৱ বিহ্বল হইল ॥২১৯
পাছে বাসৱৰ অস্ত্ৰ গুণত যুৰিল।
ঝাকে ঝাকে অস্ত্ৰত অগণি নিকলিল ॥
বজ্ৰ যেন মাজে ভেদিলেক পৰ্ব্বতৰ।
সিৰূপে ভেদিলা শৰ হৃদয়ে খৰৰ ॥২২০
প্ৰলয়ত যেন মেৰু পৰ্বত লৰিল।
সিৰূপে ৰামৰ শৰে ৰাক্ষস পৰিল ॥
সুৰ অসুৰ সবে কৰে জয় জয়।
আনন্দে দেৱতা সবে পুষ্প বৰিষয় ॥২২১

কুবেৰ বৰুণ আদি উমা মহেশ্বৰ।
সবে আসি প্ৰণামিল চৰণে ৰামৰ ॥
সিদ্ধ মুণিগনে আসি আশীৰ্ব্বাদ দিল।
আকাশে থাকিয়া ব্ৰহ্মা স্তুতি আৰম্ভিল ॥২২২
নমো নমো ৰামচন্দ্ৰ গোলোকৰ পতি।
নাৰায়ণ নিৰাকাৰ অগতিৰ গতি ॥
তুমি ব্ৰহ্মা তুমি বিষ্ণু তুমি ত্ৰিপুৰাৰী।
জগত তাৰণ প্ৰভু তুমিসে মুৰাৰী ॥২২৩
এই ৰূপে নানা স্তুতি কৰিলা বিস্তৰ।
দেৱগণ গৈলা চলি দিশ দিশান্তৰ ॥
লক্ষ্মণ সীতাৰ পাশে শ্ৰীৰাম গৈলন্ত।
যুদ্ধৰ বৃত্তান্ত মানে সবে কহিলন্ত ॥২২৪
শুনি মুনিগণে শ্ৰীৰামক প্ৰশংসিলা।
ৰামৰ গলত সীতা সাৰটি ধৰিলা ॥
সজ্জল নয়নে পাছে ৰামক বুলিলা।
প্ৰতিজ্ঞা সাম্ফলি প্ৰভো ৰাক্ষস বধিলা ॥২২৫
দুৰ্ঘোৰ ভয়ত ঋষিগণক তাৰিলা।
এহি বুলি তিনি জনে আনন্দে বঞ্চিলা ॥
শুনা সৰ্বজন ইটো ৰামায়ণ পদ।
যাক শুনি ভনি পাৱে মুকুতি সম্পদ ॥২২৬
ভনে তীৰ্থনাথে সদা বাঞ্চি এহি কাম।
হৃদয়ত ৰূপ মুখে মাধৱৰ নাম ॥

কীট পটঙ্গতো জন্ম যৈতে তৈতে হোক।
মুখে ৰামনাম যেন সদা নচাৰোক ॥২২৭

## ডুলড়ী।

দুভাইৰ অৱস্থা দেখি সুৰ্পণখা
মনে ভয় ভৈলা বৰ।
পালটীয়া লৰি লঙ্কা গৈলা চলি
যৈত আছে লঙ্কেশ্বৰ ॥২২৮
কটা নাক কাণ কুৎচিত আকাৰ
দেখি লোক ভয়ে মৰে।
খৰ দুষণক এই মাৰি খাইল
বুলি লোকে ৰাৱ কৰে ॥২২৯
যাৰ কাসে যাই বিভঙ্গে পলাই
বোলে খাইবে এই ধৰি।
ৰাক্ষস পুৰত লাগিল তৰাস
সবে ৰিঙ্গা ৰাৱ কৰি ॥২৩০
দিব্য মন্দিৰত ৰত্ন আসনত
বসি আছা লঙ্কেশ্বৰ।
মুখ্য পাত্ৰ মন্ত্ৰী বসি চাৰি ভিতি
শোভে যেন পুৰন্দৰ ॥২৩১
হেন সময়ত ভৈলা উপস্থিত
সুৰ্পণখা নিশাচৰী।

ভ্ৰাতৃৰ আগত কহিবে লাগিলা
শোকে তিৰস্কাৰ কৰি ॥২৩২
শুনা লঙ্কানাথ তুলি চোৱা মাথ
কি ভৈল অৱস্থা মোৰ ।
শৃঙ্গাৰে উন্মত্ত তিৰুতা সহিত
দিবা ৰাত্ৰি সুখ তোৰ ॥২৩৩
কি ভৈল কাহাৰ নলৱ বিচাৰ
বসি থাক ভেম ধৰি ।
ত্ৰৈলোক্যৰ পতি হৈয়া ঘৰে বসি
আন চিন্তা পৰিহৰি ॥২৩৪
স্ত্ৰীৰ সঙ্গে থাকি মতোৱাল ভৈলি
নালোচ ৰজাৰ কাজ ।
আবেসে জানিবি সমুলি মৰিলি
ফুঁতে হৰাইলি ৰাজ ॥২৩৫
দূষণ ত্ৰিশিৰা খৰ আদি কৰি
আৰু সেনা যত সব ।
পঞ্চৱটী বনে মহা ঘোৰ ৰণে
মানুযে কৰিলে বধ ॥২৩৬
কাটি কাণ নাক ঘোছা কৰে মোক
চুলিত ধৰিয়া টানি ।
ভগ্নিৰ বচন শুনিয়া ৰাৱণ
কোপে জ্বলি বোলে বাণী ॥২৩৭

কি শুনালি হায় ভ্ৰাতৃ মোৰ নাই
কাটে তোৰ নাক কাণ।
কিনু চমৎকাৰ কাহাৰ কুমাৰ
ধৰে কোন ধনুৰ্বাণ ॥২৩৮
অগাধ অৰণ্য পঞ্চবটী বন
কিয় আসি লৈলে ঠাই।
খৰ দূষণক তোৰ কাণ নাক
কাটে কোন দোষ পাই ॥২৩৯
কহ শীঘ্ৰ কৰি শোকে যাওঁ মৰি
দেখিয়া অৱস্থা তোৰ।
ভ্ৰাতৃৰ মৰণ সেনাৰ নিধন
শুনি হৃদি দহে মোৰ ॥২৪০
সুৰ্পণখা বোলে দশৰথ পুত্ৰ
শ্ৰীৰাম আৰু লক্ষ্মণ।
পিতৃ সত্য পালি সঙ্গে লই নাৰী
বনে ভ্ৰমে তিনি জন ॥২৪১
ৰামৰ ঘৰিণী সৰ্বাঙ্গ সুন্দৰী
তাইৰ সম আৰু নাই।
দেৱ বিদ্যাধৰী কিবা অপেশ্বৰী
তাইক দেখি লজ্জা পাই ॥২৪২
ভুৱন মোহনী সাক্ষাতে উৰ্বশী
স্বয়ং লক্ষ্মী পূৰ্ণ কলা।

তাইৰ ৰূপক কোনে কহিবেক
অপূৰ্ব্ব সুন্দৰী বালা ॥২৪৩
ৰাণী মন্দোদৰী চৰণৰো কান্তি
নুহিকে সম সীতাৰ।
হেন ৰূপৱতী ৰামে আছে পাই
কিক ৰাজ্য ভাৰ তাৰ ॥২৪৪
তাইক ভুঞ্জিবাক চাপিলো ওছৰ
দেখিলা তাক লক্ষ্মণ।
হাতে ধৰি অস্ত্ৰ মোৰ কাণ নাক
কাটি কৰিলেক চন্ন ॥২৪৫
খৰ দূষণক দিলো শীঘ্ৰ জান
কৰিলেক মহা ৰণ।
তপস্বীৰ শৰে মৰিলেক সৱে
ত্ৰিশিৰা খৰ দূষণ ॥২৪৬
জ্যেষ্ঠ জন ৰাম তাহাৰ বিক্ৰম
সম নাহি সংসাৰত।
চৈধ্যয়ে সহস্ৰ ৰাক্ষস বধিল
কোন সহে তাৰ ছোট ॥২৪৭
আৰু শুনা দাদা তপস্বীৰ যোগ্য
নহয় নাৰী সিজনী।
তুমি যেনে ৰাজা তোমাৰেসে শোভা
হৈবেক তাই ৰমণী ॥২৪৮

বিৰত্বে নোৱাৰি ছদ্ম ৰূপ ধৰি
অজ্ঞাতে ৰাম লক্ষ্মণ ।
প্ৰাণপণে যত্ন কৰি সীত ৰত্ন
আনাহা কৰি হৰণ ॥২৪৯
শুনা সৰ্বজন কেদিন জীৱন
অসাৰ এহি সংসাৰ ।
কলিত শ্ৰৱণ কীৰ্ত্তন বিনাই
গতি নাহি নাহি আৰ ॥২৫০
মিছা ধন জন জীৱন যৌৱন
জানিয়া নেৰিবা নাম ।
কহে তীৰ্থনাথ এৰি আন কাম
ডাকি বোলা ৰাম ৰাম ॥২৫১

---

## পদ ।

সুৰ্পণখা মুখে শুনি বীৰত্ব ৰামৰ ।
হৃদয় কম্পিল খেদে পাছে ৰাৱণৰ ॥
ভ্ৰাতৃ সেনা হেতু শোক লভিলা বিস্তৰ ।
পাসৰিল তাকো ৰূপ শুনি জানকীৰ ॥২৫২
দুৰ্জ্জয় শ্ৰীৰাম বীৰ তাকো গুণী চাইলা ।
সীতাৰ ৰূপক শুনি সবে পাসৰিলা ॥
চিন্তিলা উপায় কোন মতে তাঙ্ক হৰো ।
সীতা হৰি আনি পাছে দুভাইক মাৰো ॥২৫৩

ৰাক্ষসৰ মায়া কিবা জানিবেক নৰ ।
চলে ভাণ্ডাইয়া সীতা আনিবো ৰামৰ ॥
এহি বুলি পুষ্পক ৰথে চৰি লঙ্কেশ্বৰ ।
ত্বৰা-ত্বৰি গৈল চলি পাসে মাৰীচৰ ॥২৫৪
নানা দেশ নদ নদী এৰিয়া ৰাৱণ ।
সাগৰ লঙ্ঘিয়া গৈল শতেক যোজন ॥
মাৰীচ ৰাক্ষস যৈত আছে তপ কৰি ।
পাইলন্ত ৰাৱণ গই শীঘ্ৰ বেগ ধৰি ॥২৫৫
সৰ্প যেন ভৈলা ভয় গৰুড়ক দেখি ।
ভৈলা ভয় মাৰীচৰ ৰাৱণ নিৰেখি ॥
কৰিলা মাৰিচে ৰাৱণক বহু মান ।
বসিলন্ত সতকাৰ কৰি সিটো ঠান ॥২৫৬
বোলন্ত ৰাৱণ মাৰীচৰ মুখ চাই ।
তব সম হিতকাৰী মোৰ কেহো নাই ॥
বুদ্ধিত সাগৰ তুমি সমৰতো যম ।
যাৰ বল শৰীৰে সহস্ৰ হস্তী সম ॥২৫৭
দেৱতা গন্ধৰ্ব সদা ভীত ভয়ে যাৰ ।
জিনিলোহো ত্ৰৈলোক্যক প্ৰসাদে তোমাৰ ॥
পৰিলো বিপাঙ্গে আবে দিয়োক উপাই ।
সাধিতে নপাৰি কাজ আসিলো ইঠাই ॥২৫৮
শ্ৰীৰাম লক্ষ্মণ দুই দশৰথ সুত ।
মাৰিলা দণ্ডকাৰণ্যে ৰাক্ষস বহুত ॥

ত্রিশিৰা দূষণ খৰ মোৰ দুই ভাই।
বধিলা সবাকো ৰামে আৰু কেহো নাই ॥২৫৯
মনুষ্য হইয়া মোক দিলা অপমান।
আৰু কাটিলেক ভগিনীৰ নাক কাণ ॥
কৰিবে নোৱাৰো যেবে তাৰ প্রতিকাৰ।
ত্রৈলোক্যৰ অধিপতি বিফল আমাৰ ॥২৬০
সিহেতু তোমাক মই খুজিলো সহায়।
পূৰিবো বাঞ্চা যেন তোমাৰ কৃপায় ॥
শুনিলোঁহো তাৰ ভাৰ্য্যা পৰম সুন্দৰী।
তাইৰ নাম সীতা ৰূপ বৰ্ণাব নোৱাৰি ॥২৬১
মন্দোদৰী আদিকৰি পত্নী যত মোৰ।
নহব কোনেও তাইৰ চৰণৰ যোৰ ॥
তাইৰ ৰূপ শুনি প্রাণ ৰাখিব নোৱাৰো।
চলে মায়া কৰি মই আগে তাইক হৰো ॥২৬২
সীতাৰ শোকত ৰাম হইবে দুৰ্ব্বল।
কৰিবো দুভাইক পাছে ৰণত নিৰ্ম্মূল ॥
সুবৰ্ণ সদৃশ তুমি মৃগ মায়া ধৰি।
তাৰ আগে কোমল বনত থাকা চৰি ॥২৬৩
মৃগ দেখি শ্রীৰাম লক্ষ্মণ যাব খেদি।
পলাবা গহন বনে তাক লাগ নেদি ॥
শূন্য আশ্রমত সীতা অকলসৰে পাই।
নিৰ্ব্বিঘ্নে হৰিয়া সীতা নিবোহো সিঠাই ॥২৬৪

মাৰীচে শুনিয়া কথা বোলে হায় হায়।
কোনে হেন লঙ্কেশ্বৰ দিলেক উপায় ॥
কাহাৰ ফুটিল চক্ষু কোন হেন জন।
কিয় হেন ভাব মনে কাৰাহা ৰাজন ॥২৬৫
জ্ঞাতী বৰ্গ কুটুম্ব আৰু স্বৰ্ণ লঙ্কাপুৰী।
দেৱতাকো জিনি সুখে ভৈলা অধিকাৰী ॥
তেন সুখে কিয় কৰা মৰিবে যতন।
পিণ্ড দিবে নাথাকিব বংশ এক জন ॥২৬৬
ৰামৰ বীৰত্ব তুমি নতু বুজি পাশ।
আনকো মৰাবা আপুনিও হৈবা নাশ ॥
ৰাম প্ৰাণাধিক সীতা পৰম সুন্দৰী।
হৰিলে তাহাক নথাকিব লঙ্কাপুৰী ॥২৬৭
পুত্ৰ ভাই জ্ঞাতী বন্ধু ৰাখিয়ো ৰাজন।
নানিবাহা মনে সীতা কৰিবে হৰণ ॥
পৰস্ত্ৰী দেখিয়া তুমি কিয় খেদ কৰা।
ৰাখিয়ো ৰাক্ষস কুল খেদ পৰিহৰা ॥২৬৮
কু-মন্ত্ৰীৰ বাক্য তুমি কিয় মানা সাৰ।
এনে লোভে ৰাজ-লক্ষ্মী চাৰিবে তোমাৰ ॥
অহিত মন্ত্ৰণা দিয়া বহু বন্ধু পাই।
সহস্ৰ মাজতো হিত দেন্তা কেহো নাই ॥২৬৯
ক্ষেমিয়ো ভাগীন ইটো ধৰো চৰণত।
বুডুবাৰা লঙ্কাপুৰী ৰাম সাগৰত ॥

ইন্দ্ৰতো অধিক সুখ জানিবা তোমাৰ।
এনেস্থলে কৰা কিয় কুল ক্ষয়ঙ্কাৰ ॥২৭০
কুম্ভকৰ্ণ ইন্দ্ৰজিত আদি যত জন।
শ্ৰীৰাম যুদ্ধে হব সকলো পতন ॥
ৰামৰ আগত কাৰো নাখাটে চাতুৰী।
নাথাকিবে একোজন স্বৰ্ণ লঙ্কাপুৰী ॥২৭১
ধাৰ্ম্মিক ত্ৰিজটা আৰু বিভীষণ ভাই।
কৰিয়ো জিজ্ঞাসা তাক কিদিয়ে উপাই ॥
নতুবা অন্যৰ বোলে নমৰা ৰাজন।
নহয় মনুষ্য ৰাম স্বয়ং নাৰায়ণ ॥২৭২
ভগিনীৰ নাক কাণ ত্ৰিশিৰা দুষণ।
খৰ আদি গৈল মৰি সেনা যত জন ॥
তাঙ্ক প্ৰতি কদাপিও নকৰিবা দুখ।
নিজ প্ৰাণ ৰাখিলে লভিবা বহু সুখ ॥২৭৩
তোমাৰ বিক্ৰম ভালে জানো লঙ্কেশ্বৰ।
তুমি হেন শতেক জিনিবে ৰঘুবৰ ॥
বিশ্বামিত্ৰে নিল ৰাম যজ্ঞ ৰাখিবাক।
ঋষি যজ্ঞ ৰাখি শৰ মাৰিলে আমাক ॥২৭৪
ইন্দ্ৰৰ বজ্ৰৰ সম গাৰত পৰিল।
আকাশে উৰাই সাগৰৰ পাৰ কৈল ॥
অদ্যাপি ৰামৰ মই প্ৰহাৰ সুমৰি।
সপোনতো দেখি ৰাম কম্পো থৰথৰি ॥২৭৫

এৰিলোহো ভাৰ্য্যা পুত্ৰ স্বৰ্ণ লঙ্কাপুৰী।
ভৈলোহো তপস্বী বনে শ্ৰীৰামক ডৰি॥
তথাপি তোমাৰ হাতে এৰণ নেযাই।
বধিবে আমাক তুমি পাঞ্চিলা সিঠাই॥২৭৬
মোৰ বাক্য ধৰা এবে শুনা লঙ্কেশ্বৰ।
সীতাৰ লোভক চাৰি শীঘ্ৰে চলা ঘৰ॥
মাৰীচৰ মুখে শুনি এতেক বচন।
পুনৰ্ব্বাৰে মাৰীচক বুলিলা ৰাজন॥২৭৭
মোৰ প্ৰতাপৰ ভয়ে কম্পে দেৱ গণ।
কোন চাৰ ৰামচন্দ্ৰ মানুষ সিজন॥
দেখিও বীৰত্ব মোৰ তাক বখানাহা।
বাক্য চলে মোক তুমি বিষ বৰিষাহা॥২৭৮
আসিলোহো তব ঠানে কৰা তিৰস্কাৰ।
নৰাখিয়া কিছুমাত্ৰ বচন আমাৰ॥
মোক বাধা দিয়ে যদি দেব পঞ্চানন।
তথাপি আনিবো সীতা নহয় খণ্ডন॥২৭৯
পাৰ কৰি আনিবোহো সীতাক সাগৰ।
বল বুদ্ধি হীন মোক কি কৰিবে নৰ॥
এনে মন্দ বুদ্ধি মামা কোনে দিলে তোক।
নৰৰ গৌৰৱ ৰাখি লঘু বোলা মোক॥২৮০
ৰাক্ষস কুলত জন্মি বুদ্ধি বিপৰ্য্যয়।
যাহাৰ সহায় মই তাৰ কাক ভয়॥

চলে দূৰে লৈয়া চলা অৰণ্যে ৰামক।
শূন্য ঘৰে মই হৰি আনিবো সীতাক ॥২৮১
বোলন্ত মাৰীচে পাছে শুনিয়ো ৰাৱণ।
সীতাক হৰিলে হব সবংশে মৰণ ॥
অন্য নাৰী হৰি তুমি পাইলা নিস্তাৰ।
নহব হৰিলে সীতা সিমত ইবাৰ ॥২৮২
পুত্ৰ মিত্ৰ বন্ধু ভ্ৰাতৃ যত পৰিবাৰ।
ৰামৰ হাতত কেহো নপাবা নিস্তাৰ ॥
নকৰিবা যত্ন তুমি হৰিবে সীতাক।
অকল সীতাক লাগি মৰাবা সবাক ॥২৮৩
ৰাঘৱৰ আগে ক্ষুদ্ৰ কি চাৰ সাগৰ।
সাগৰে ডুবাব পাৰে এই লঙ্কাপুৰ ॥
কিমতে ভুলাবো ৰাম মই মায়া ধৰি।
অকলে সীতাক ৰাম কভু নাযায় এৰি ॥২৮৪
যদি ৰাম যায় তবু থাকিবে লক্ষ্মণ।
তেবে কি হৰিবে সীতা শতটা ৰাৱণ ॥
ৰাম পাসে গৈলে মোৰ আগে যাব প্ৰাণ।
পাছত মৰিবা তুমি সবংশে ৰাৱণ ॥২৮৫
হিত বোলো তোমাক শুনিয়ো লঙ্কেশ্বৰ।
এৰিয়া সীতাৰ আশা পালটীয়ো ঘৰ ॥
আপোনাৰ প্ৰাণ ৰাখা ৰাখা লঙ্কাপুৰ।
নহলে ক্ষণিকে লঙ্কা হৈবে মযিমুৰ ॥২৮৬

মাৰীচৰ কোপে ভৈলা কুপিত ৰাৱণ।
হাতে খাণ্ডা ধৰি তাক বুলিলা বচন॥
হাউৰে পাপীষ্ঠ মোক কহ লঘু বাণী।
দুৰ্জ্জয় ৰাৱণ বীৰ প্ৰতাপ নাজানি॥২৮৭
ঘনে ঘনে মোৰ আগে বখানি ৰামক।
বাক্য বিষে অপমান কৰিলি আমাক॥
এই খাণ্ডা হানি তোৰ কাটিবো মাথাক।
দেখো ৰামে আসি তোক এখানে ৰাখোক॥২৮৮
ৰামৰ পাশত তোৰ জীৱন সংশয়।
মোৰ হাতে এতিক্ষণে যাবি যমালয়॥
যাবি কি নাযাবি শীঘ্ৰ কহ কেন মন।
নহলে পঠাইবো এবে যমৰ সদন॥২৮৯
হেন শুনি মাৰীচৰ বৰ ভয় ভৈলা।
সক্ৰোধ বচনে তাক বুলিবাক লৈলা॥
তোৰ ক্ষয় হেতু জন্ম জনক নন্দিনী।
ৰাক্ষসৰ কাল বিধি মিলাইল আনি॥২৯০
হিতক বোলন্তে তই অহিত মানিলি।
আপুনি মৰিলি আৰু আনকো মাৰিলি॥
তোহোৰ হাতত কিয় প্ৰাণ হেৰুৱাওঁ।
ৰামৰ হাতত মৰি স্বৰ্গে চলি যাওঁ॥২৯১
নেদেখন্তে তোৰ আৰু লঙ্কাৰ বিলাই।
শোক দুখ নসহন্তে আগে মৰো যাই॥

গৰ্ব্বে মোৰ বাক্য তই কৰিলি হেলন।
পৰিব মনত পাছে ই কথা ৰাৱণ॥২৯২
এহি বুলি ৰথে চৰি গৈলা তিনি জন।
যথাত আছয় সীতা কমল লোচন॥
ৰামক সুমৰি মাৰীচৰ ভয় ঘোৰ।
কাটিবাক টানি যেন লই যাই চোৰ॥২৯৩
শীঘ্ৰ গৈয়া পাইলা পাছে ৰাঘৱৰ ঠান।
কহিলন্ত সুৰ্পণখা যুদ্ধৰ আখ্যান॥
ইঠানে কাটিলা মোৰ ৰামে নাক কাণ।
মাৰিলা ত্ৰিশিৰা খৰ সেনা যতমান॥২৯৪
মাৰীচৰ হাতে ধৰি বোলে লঙ্কেশ্বৰ।
ধৰা মৃগ মায়া তুমি ইঠানে সুন্দৰ॥
অশেষ প্ৰশংসি তাঙ্ক বচন বুলিলা।
অনন্তৰে তিনি জন ৰথৰ নামিলা॥২৯৫
মহা ভয়ে মাৰীচেও শোকে যান্ত চলি।
কাটিবাক নেই যেন অষ্টমীৰ বলি॥
মনত গুণীয়া বোলে প্ৰাণে আশা নাই।
হেৰুৱালো প্ৰাণ ৰাৱণৰ হিত চাই॥২৯৬
সাক্ষাতে দেখিয়া মই কমল লোচন।
তান শৰে মৰি স্বৰ্গে কৰিবো গমন॥
এহি বুলি মাৰীচে ধৰিলা মৃগ মায়া।
দেখিতে সুবেশ শুদ্ধ সুবৰ্ণৰ কায়া॥২৯৭

ৰঙ্গা মুখ মেলে যেন সুবর্ণৰ পান্তি।
দুই চক্ষু জ্বলে যেন বিজুলীৰ কান্তি॥
ফটিকৰ সম জ্বলে ৰত্নময় বুক।
ঠানে ঠানে প্রকাশ সোণাৰ ভোমুক॥২৯৮
নৱনিত সদৃশ কোমল কলেৱৰ।
শ্বেতবর্ণ চাৰি খুড়া দেখিতে সুন্দৰ॥
দুই শৃঙ্গ জ্বলে তাৰ প্রৱাল প্রস্তৰ।
ত্রৈলোক্য জিনিয়া যেন শোভে দিবাকৰ॥২৯৯
বন মাজে লুকাইয়া থাকিল ৰাৱণ।
বন পোসৰাই মৃগ কৰিল গমন॥
বসিয়া আছন্ত ৰাম সীতা দুইজন।
সি সময়ে মায়া মৃগ দিলা দৰশন॥৩০০
দেৱগণ বিপদে কৰিবে পৰিত্রাণ।
কৰিলা বিধাতা মৃগ অপূর্ব্ব নির্ম্মাণ॥
তৰক ভৰক মৃগ চতুর্ভিতি চাই।
সীতা দেৱী দেখন্ত কোমল ঘাঁস খাই॥৩০১
মৃগ দেখি সীতাৰ ভৈলেক ৰঙ্গ মন।
ৰামক সম্বোধি সীতা বুলিলা বচন॥
হে ৰঘুপতি মই চৰণত লাগো।
দেখিয়ো আচর্য্য মৃগ মই তাক মাগো॥৩০২
তোমাৰ চৰণে প্রভু এই ভিক্ষা চাওঁ।
ইয়াৰ চালত যেন বসিবাক পাওঁ॥

এই মৃগ মাৰি মোক চাল আনি দিয়া।
কহিবাক ৰৌক কথা অযোধ্যাত গৈয়া ॥৩০৩
জীয়াই ধৰিবা যেবে অতিশয় ভাল।
নহলে মাৰিয়া তাক আনি দিয়া চাল ॥
ৰাম বোলে কৈত আছে মৃগ হেন কায়া।
নোহে মৃগ প্ৰিয়া ইটো ৰাক্ষসৰ মায়া ॥৩০৪
সীতা বোলে ভাণ্ডা কিয় দেখিলো সাক্ষাত।
কিনো ধন ৰত্ন বস্তু খুজিলো তোমাত ॥
কোন ক্ষুদ্ৰ খুজিলোহো বন পশু চাল।
ইহাতো ভাণ্ডিয়া মোত পাতিলা জঞ্জাল ॥৩০৫
পশু নোহে যদি ইটো ৰাক্ষস নিশ্চয়।
তথাপি মাৰিবে তাক সমৰ্থ আছয় ॥
চৰণত ধৰো নাথ বঞ্চনা নকৰি।
দিয়া আনি চৰ্ম্ম খান এই মৃগ মাৰি ॥৩০৬
শ্ৰীৰামে বোলন্ত শুন ভৈয়াই লক্ষ্মণ।
অপূৰ্ব্ব সুন্দৰ মৃগ দেখা বিদ্যমান ॥
বুজি চোৱা ভাই তুমি মৃগৰ লক্ষণ।
খোজে সীতা তাৰ চাল কৰিতে আসন ॥৩০৭
লক্ষ্মণ বোলন্ত ইটো সন্দেহ আমাৰ।
কভু দেখা শুনা নাই মৃগ ই আকাৰ ॥
মায়াবী ৰাক্ষস আছে শুনু ইবনত।
ৰূপে ভুলাইয়া নিয়ে মুনি গণ যত ॥৩০৮

অৰণ্যক নিয়া তাক কৰন্ত ভক্ষণ।
আমাকো ভাণ্ডিবে আসি আছে দুষ্ট জন ॥
মাৰীচ ৰাক্ষস আইলা মায়া ৰূপ ধৰি।
নহয় প্ৰকৃত মৃগ জানা নিস্ত কৰি ॥৩০৯
ৰাঘৱে বোলন্ত যেৱে মাৰীচ আসিলা।
বধিবো পাপীক আজি ভালকে মিলিলা ॥
দণ্ডকা বনৰ আজি বনাইবো শাল।
সীতাক বসিবে দিবো সুবৰ্ণৰ চাল ॥৩১০
ধৰিবে নপাৰো যেবে বধিবো পৰাণ।
এহি বুলি হাতত লৈলেক ধনুৰ্বাণ ॥
যাৱত ফিৰিয়া নাসো মৃগ মই মাৰি।
সাৱধানে থাকিবা সীতাক ৰক্ষা কৰি ॥৩১১
বৃক্ষৰ আঁৰত আছে ৰাৱণ লুকাই।
যি কহিলা ৰামে কথা শুনি সেহি ঠাই ॥
যেতিয়া যি হব ইটো বিধিৰ লিখন।
মিলিলা বিপাক কোনে কৰিবে খণ্ডন ॥৩১২
চলে ৰাম মৃগ বধে হাতে ধনু কৰি।
থাকিলা লক্ষ্মণ জানকীক ৰক্ষা কৰি ॥
শ্ৰীৰামক দেখি ভয়ে মাৰীচে কম্পিল।
গহন বনৰ মাজে গৈয়া প্ৰৱেশিল ॥৩১৩
মনে ভাৱে যদি মই যাইবো পলাই।
ৰাৱণৰ হাতে মোৰ প্ৰাণ গুটি যাই ॥

নতুৱা বধিৱে ৰাম নতুবা ৰাৱণ।
মোৰ ভাগ্যে আছে আজি অৱশ্য মৰণ॥৩১৪
ৰাৱণৰ হাতে মৰি কেৱল নৰক।
শ্ৰীৰামৰ হাতে মৰি চলোহো স্বৰ্গক॥
এহি বুলি মায়া ৰূপে ঘনে দেই লুকি।
নিকটে ওলায় কতো মাৰয় ভুমুকি॥৩১৫
ক্ষণেক ওছৰ চাপে ক্ষণিকতে দূৰ।
নানা ৰঙ্গে দেই জাম্প চমকে প্ৰচুৰ॥
মৃত্যু ভাবে মৃগক নমাৰে ৰামে বাণ।
ওচৰ চাপিয়া গই ধৰো দুই কাণ॥৩১৬
এহি চিন্তা কৰি ৰাম পাছে পাছে যাই।
কতো বেলি চেকুৰিয়া বনত লুকাই॥
শ্ৰান্ত ভৈলা ৰাম মৃগ গোট খেদি যাই।
বৃক্ষৰ আৰত লুকাইলন্ত চেগ পাই॥৩১৭
মৃগ জাকে পশি পাছে চৰিবে লাগিলা।
সেহি বেলা ৰামে তাক শৰ প্ৰহাৰিলা॥
পৰিল হিয়াত তাৰ শ্ৰীৰাম বাণ।
নিজ ৰূপ ধৰি তাৰ চাৰি গৈলা প্ৰাণ॥৩১৮
সি সময়ে ৰাৱণৰ হিতক চিন্তিলা।
মৰিলো লক্ষ্মণ ভাই বুলি ডাক দিলা॥
ৰাক্ষসে বেৰিয়া ভাই মোৰ লৱে প্ৰাণ।
শীঘ্ৰে আসি শঙ্কটত কৰা পৰিত্ৰাণ॥৩১৯

মৰিলো লক্ষ্মণ বুলি ঘনে দেঁই ৰাৱ।
এতেক শুনিয়া ৰাম কম্পি গৈল গাৱ॥
ৰাক্ষসক বধি শীঘ্রে বাণ কাঢ়ি লৈলা।
পালটীয়া শ্রীৰাম যাইবে সাজ ভৈলা ॥৩২০
শুনা সৰ্ব্বজন কেনে ভৈলা আত পৰ।
মিলিল বিপাক কিনু ঈশ্বৰ ৰামৰ ॥
ইতৰৰ কোন লেখা মনুষ্য জন্মত।
কহে তীৰ্থনাথে নাম নেৰিবা মুখত ॥৩২১

---

## পদ।

শ্রীৰামৰ ৰাৱ যেন মাৰীচে ডাকিলা।
ৰিণি ৰিণি সীতাৰ কৰ্ণত প্ৰৱেশিলা ॥
ৰাক্ষসৰ মায়া সিটো তাহাক নাজানি।
ভয়ে লক্ষ্মণক পাছে বুলিলা গোসানী ॥৩২২
প্ৰভুক মাৰিলা বনে নিশাচৰে বেৰি।
ডাকিছে তোমাক ৰাম আৰ্ত্তনাদ কৰি ॥
হা হা বিধি কিনু মই অকাৰ্য্য কৰিলো।
ৰাক্ষস মাজত মৃগ মাৰিবে পঠাইলো ॥৩২৩
ভাতৃৰ পালক তুমি দেৱৰ লক্ষ্মণ।
প্ৰভুক ৰাখিবে শীঘ্রে কৰিয়ো গমন ॥

শিৰত সেন্দূৰ ৰৌক দিয়া স্বামী দান।
নিশাচৰে প্ৰভুৰ বেঢ়িয়া লৱে প্ৰাণ ॥৩২৪
মহা ভয়ে চমকিলা জনক নন্দিনী।
দেখিয়া লক্ষ্মণে বুজাই বুলিলন্ত বাণী ॥
শ্ৰীৰামক প্ৰতি মাৱ নকৰিবা ভয়।
দেৱা সুৰে নাই হেন ৰামক জিনয় ॥৩২৫
শুনিলা যিবাৱ নোহে শ্ৰীৰামৰ ডাক।
অকাৰণে কিয় দেৱী পঠোৱা আমাক ॥
আৰু নুশুনিলো মই বাৱ শ্ৰীৰামৰ।
নহয় কদাপি প্ৰভু সিৰূপে কাতৰ ॥৩২৬
স্ত্ৰীজাতি হেতু মিলিলেক ভয়।
আসিবে শ্ৰীৰাম এবে নকৰা সংশয় ॥
ৰাক্ষসৰ ঠাই ইটো মহা অৰণ্যত।
যাইবো চলি কাক ৰাখি তোমাৰ পাশত ॥৩২৭
বিপদৰ শঙ্কা আত আছয় অপাৰ।
নোহে উপযুক্ত অকলসৰে থাকিবাৰ ॥
এতেক শুনিয়া সীতা হিয়ে মুষ্ঠী হানি।
ক্ৰোধত নিষ্ঠুৰ ঘোৰ বুলিলন্ত বাণী ॥৩২৮
হাওৰে পাপীষ্ঠ তোক আজিসে চিনিলো।
ভাতৃৰ ভকতি তোৰ সাক্ষাতে দেখিলো ॥
শ্ৰীৰাম মৰিলে তোৰ মিলে মহা সুখ।
পেটত বিষৰ ঘট অমৃতৰ মুখ ॥৩২৯


সতিনীৰ পুত্ৰ কভো নোহে হিতকাৰী।
আসিলি সঙ্গত ৰাজ্য খাইবে ভাতৃ মাৰি॥
গাৱ গুটি বাঘ তোৰ মুখ হৰিণৰ।
খাইবে তই কৰ আ'শ মাংস শ্ৰীৰামৰ॥৩৩০
বুজিলো পাপীষ্ঠ মই তোৰ যিটো আশ।
শ্ৰীৰামক চলে মৰাই নোক নিবে চাশ॥
ৰাক্ষসৰ হাতে আৰে মৰোক বাঘৰ।
সীতাক কৰিবে৷ ভাৰ্য্যা এই মনে চাৱ॥৩৩১
স্বামীৰ বিহনে অগণিত জাম্প দিবো।
নতু গলে চুৰি দিয়া নিতান্ত মৰিবো॥
চৰণেও নপৰশো পুৰুষো ইতৰ।
মোক ভাৰ্য্যা কৰিবাক আশা দূৰ কৰ॥৩৩২
ভক্তি দেখাই ভাৰ্য্যা আশে ভাণ্ডি কহ মোক।
ৰাম মত্ত গজ আগে মৃগ দেখো তোক॥
এহি বুলি সীতা স্বামী মৰণ শঙ্কাত।
আৰ্ত্তৰাৱে কান্দি ভুকু মাৰয় হিয়াত॥৩৩৩
ইমত নিষ্ঠুৰ নানা শুনিয়া লক্ষণ।
ভূমি চুই কৰ্ণে হাত বোলন্ত বচন॥
তুমি মোৰ দেৱী ৰামচন্দ্ৰ মোৰ দেৱ।
আসিলো বনক পদে কৰিবাক সেৱ॥৩৩৪
হেন অযুগুত কথা কহিলাহা কিক।
কটু ভাষী নাৰী তব জীৱনতো ধিক॥

হেনয় স্বভাৱে ক্রুৰ দুষ্টা নাৰী জাতি।
ভাই ভাই কন্দল লগাৱে দিনে ৰাতি ॥৩৩৫
চন্দ্র সূর্য্য বায়ু বসুমতি দেৱ যত।
কৰো সাক্ষী সীতা মোক বুলিলা যিমত॥
আজ্ঞা মানি যাও চলি আপোনাক ৰাখি।
শূন্য ঘৰে থাকে সীতা সবে হইবা সাক্ষী ॥৩৩৬
নমানে প্রবোধ বাক্য মোত দোষ নাই।
নিজ দোষে আজি সীতাৰ কি ঘটে বিলাই ॥
এহি বুলি প্রণামিয়া লৈলন্ত বিদাই।
নসহিয়া পুনু ফিৰি বুলিলন্ত যাই ॥৩৩৭
আৰু অমঙ্গল পাছে দেখিলা অশেষ।
পুনু জানু পাৰি লখাই বুলিলা বিশেষ॥
শুনা মাৱ এই বনে ৰাক্ষস অপাৰ।
যাইবো কি নযাইবো মোত কহা পুনর্ব্বাৰ ॥৩৩৮
সীতা বোলে যোৱা শীঘ্র তুমি লখাই বীৰ।
শ্রীৰামৰ ডাক শুনি অস্থিৰ শৰীৰ ॥
স্বয়ং বিষ্ণু ৰামচন্দ্র তাৰ পত্নী সীতা।
ধৰ্ম্ম চিয়াই দিলো আক বেড়ি চতুর্ভিতা ॥৩৩৯
নোৱাৰো পশিব কোনো আকৰ ভিতৰ।
ফিৰি নাশো মানে তুমি নহবা বাহিৰ॥
এহি বুলি লখাই গৃহে প্রদক্ষিণ কৰি।
চলিলা ৰামৰ পাশে ধনুর্ব্বাণ ধৰি ॥৩৪০

ঘোৰ চিন্তা দুখ মনে লক্ষ্মণ চলন্ত।
সীতাৰ স্নেহত পাছে ফিৰি ফিৰি চান্ত॥
চলিলা লক্ষ্মণ যেবে শ্ৰীৰামভিতা।
মহা অৰণ্যত অকলশ্বৰী ভৈলা সীতা ॥৩৪১
চন্দ্ৰ অবিহনে যেন ঘোৰ অন্ধকাৰ।
কান্দিয়া মূৰ্চ্ছিত সীতা পৰি বাৰে বাৰ॥
শ্ৰীৰামৰ পাশে যেবে চলিলা লক্ষ্মণ।
বৰশীয়া ৰাৱণৰ পুঙ্গাতেসে মন ॥৩৪২
কাষত জোলোঙ্গা কণ্ঠা কান্ধে ধৰি ছাতি।
ৰঙ্গা বস্ত্ৰ পৰিধান সুগভীৰ গতি॥
গলত ৰুদ্ৰাক্ষ মালা কপালত ফোট।
ভৈলা উপস্থিত ভাণ্ডা তপসিয়া গোট ॥৩৪৩
অল্প দূৰ হন্তে কিছু আশংসা কৰিলা।
দীৰ্ঘ ৰাৱে বেদধ্বনি মুখে উচ্চাৰিলা॥
মধুৰ বচনে পাছে বুলিলা সীতাক।
চন্দ্ৰতো অধিক কান্তি তোক দেখিবাক ॥৩৪৪
কাহাৰ জীয়ৰী তুমি ৰমণী কাহাৰ।
কিয় থাকা অৰণ্যত কি নাম তোমাৰ॥
কতনো প্ৰবন্ধে বিধি তোক নিৰমিল।
জগত স্বৰূপ আনি তোমাত স্থাপিল ॥৩৪৫
ত্ৰৈলোক্য মোহিনী তুমি মদনৰ বাণ।
দেখিলে তোমাক কাৰো নৰহে পৰাণ॥

অনেক ৰাক্ষস আছে দণ্ডকাৰ বন।
ইমত সুন্দৰী একা থাকা কি কাৰণ ॥৩৪৬
ৰাজ ৰজেশ্বৰী তুমি হৈবাক উচিত।
তোৰ বনবাস দেখি ভৈলোহো দুখীত ॥
তপস্বী ভাৱিয়া সীতা দিলা পৰিচয়।
জনক নন্দিনী শ্ৰীৰামৰ ভাৰ্য্যা মই ॥৩৪৭
দেৱৰ লক্ষ্মণ সঙ্গে মাত্ৰ তিনিজন।
পিতৃ সত্য পালি আসি পাইলো এহি বন ॥
মৃগ মাৰিবাক গৈলা শ্ৰীৰাম লক্ষ্মণ।
ক্ষণিক বিলম্বে আসিবেক দুইজন ॥৩৪৮
তুমি হেন ঋষি দেখি বৰ তুষ্ট হৈব।
সাধ্যমতে ৰামচন্দ্ৰে তোমাক পূজিব ॥
কৰিয়ো অপেক্ষা মুনি শ্ৰীৰামক প্ৰতি।
তযু দৰশনে ৰাম লভিবেক প্ৰীতি।৩৪৯
আৰু কোৱা মুনিবৰ তযু পৰিচয়।
কি কাৰ্য্যে আসিলা এঠা কাহাৰ তনয় ॥
জানকীৰ মুখে শুনি এতেক বচন।
মহানন্দে মৃদু ভাষে বুলিলা ৰাৱণ ॥৩৫০
মোহোৰ ৰাৱণ নাম জানে সৰ্ব্বজন।
ভৈলা আজ তযু সঙ্গে অপূৰ্ব্ব দৰ্শন ॥
স্বস্থান থাকিয়া তযু কাহিনী শুনিলো।
সাক্ষাতে দেখিয়া বৰ হৰিষ লভিলো ॥৩৫১

পাতালৰ নাগ আদি মোক কৰেসেৱ।
স্বৰ্গ সমন্নিতে জিনিলোহো সৰ্ব্ব দেৱ॥
ব্ৰত হেতু এই বনে ভুজো বন্য ফল।
ভোজন কৰাই গৈল গৃহস্থসকল॥৩৫২
ৰামক অপেক্ষা হেতু বিলম্ব অনেক।
স্নানৰ সময় মোৰ ভৈল অতিৰেক॥
দিয়া ভিক্ষা আসি ভৈলো অতিথি তোমাৰ।
পালে দান যাইবে পাৰো ঠাইক আপোনাৰ॥৩৫৩
নহলে চলোহো আবে বেলা অতিশয়।
দিয়া মোক সমিধান উচিত যিহয়॥
সীতা বোলে আছে মাত্ৰ পঞ্চ গোটা ফল।
তাকে লৈয়া কৰা দ্বিজ দানৰ সম্ফল॥৩৫৪
এহি বুলি পঞ্চ ফল সীতা হাতে ধৰি।
লোৱা বুলি দিয়ে দান আস্ত ব্যস্ত কৰি॥
ৰাৱণে বোলয় সীতা নজানা কাৰণ।
আশ্ৰমৰ মধ্যে ভিক্ষা নলই মুনিগণ॥৩৫৫
লোৱাৰো নহয় ইটো দানৰ কল্যাণ।
নহয় সাৰ্থক দিয়া আশ্ৰমত দান॥
এতেকে কৰিয়ো দান বাহিৰে ওলাই।
নকৰা বিলম্ব নতু দিয়োক বিদাই॥৩৫৬
সীতা বোলে শ্ৰীৰামৰ আজ্ঞা সিতু নাই।
নোৱাৰো দিবাক দান বাহিৰে ওলাই॥



ৰাৱণে বোলয় তেবে চলি যাও মই ।
আশ্ৰমত লৈবে দান উচিত নহয় ॥৩৫৭
বিধিৰ নিৰ্ব্বন্ধ তাক কোনেনো খণ্ডাই ।
সীতাৰ মনত চিন্তা উপজিলা যাই ॥
ব্যৰ্থ যদি আশ্ৰমৰ অতিথি চলিব ।
কুলৰ দেৱতা মানে আমাক শাপিব ॥৩৫৮
যি হৌক সি হৌক বুলি ফল হাতে লৈ ।
লোৱা বুলি দিলা দান বাহিৰক গৈ ॥
দান লোৱা চলে ধৰি সীতাৰ হাতত ।
বিদ্যুত সঞ্চাৰে নিয়া তুলিলা ৰথত ॥৩৫৯
ধৰিলন্ত নিজ ৰূপ অতি চমৎকাৰ ।
দশমুণ্ড কুৰি চকু কুৰি হাত তাৰ ॥
দেখিয়া সীতাৰ পাছে জীৱ উৰি গৈলা ।
থৰ থৰ কম্পি তাক বচন বুলিলা ॥৩৬০
দূৰ হও দুষ্ট তই পাপী দুৰাচাৰ ।
মোক পৰশনে হবি সবংশে সংহাৰ ॥
ৰাৱণে বোলয় শুনা আমাৰ বচন ।
লোৱা পৰিচয় মোৰ নাম দশানন ॥৩৬১
ৰাক্ষসৰ ৰাজা মই লঙ্কাত বসতি ।
আজিহন্তে হৈল দূৰ তোমাৰ দুৰ্গতি ॥
হৰি শঙ্কৰাদি দেৱ কাকো নাহি শঙ্কা ।
সাগৰ মধ্যত মোৰ স্বৰ্ণ পুৰি লঙ্কা ॥৩৬২

ত্ৰৈলোক্য বিজয়ী লঙ্কেশ্বৰ মত্ত গজ ।
মানুষ ৰামক এৰি সীতা মোক ভজ ॥
গৃহত আছয় মোৰ যত পটেশ্বৰী ।
দিবোহো সবাকো নিস্তে তোৰ দাসী কৰি ॥৩৬৩
স্মুৱৰ্ণ মাণিক গৃহে কৰিবা বসতি ।
ৰতন পালঙ্কে শুতি ভূঞ্জিবাহা ৰতি ॥
আজি হন্তে বাঢ়িলেক তোমাৰ সম্মান ।
মানুষ ৰামক মই তুচ্ছ কৰো জ্ঞান ।৩৬৪
অল্প বুদ্ধি ৰাম আৰু চুম্বক জীৱন ।
যুগে যুগে মই চিৰজিৱী দশানন ।
বনবাস এৰি বঞ্চা দিব্য মন্দিৰত ।
দিব্য ৰাজ অলঙ্কাৰ পিন্ধিয়ো গাৱত ॥৩৬৫
ইন্দ্ৰৰ শচীয়ে তোত লৈবেক শৰণ ।
আত পৰে কোন তোৰ স্মুখে দেহ মন ॥
ফল মূল এৰি ভুঞ্জা পায়স মিষ্টান্ন ।
পত্ৰ শয্যা এৰি কৰা পালঙ্ক শয়ন ॥৩৬৬
সসাগৰা পৃথিৱীৰ তুমি হইবা ৰাণী ।
তুমি অন্ন দিলেসে ভুঞ্জিবে আন প্ৰাণী ॥
ষোড়শ শৃঙ্গাৰ জানো ৰতিত পাৰ্গত ।
তোমাৰ মই সে যুগ্য জানা স্বৰূপত ॥৩৬৭
আজি হন্তে ক্ষুদ্ৰ ৰামে আশা দূৰ কৰ ।
ত্ৰৈলোক্যৰ পতি ৰাৱণক স্বামী বৰ ॥

ৰামৰ ঘৰণী হৈ বৰ দুখ পাইলা।
তব ভাগ্যে আজি হন্তে দুৰ্গতি খণ্ডিলা ॥৩৬৮
মদনে দগধ মোৰ দহিছে অন্তৰ।
কাম বান নিবাৰিয়া মোক শান্ত কৰ ॥
মহাক্ৰোধ ভৈলা সীতা ৰাৱণ বচনে।
পাৰিলা অনেক গালি যত পাৰে মানে ॥৩৬৯
পাপিষ্ঠ ৰাৱণ তই অধৰ্ম্মী বৰ্ব্বৰ।
অকাৰণে কিয় তই চল যম ঘৰ ॥
ৰামৰ ঘৰিণী তই চাস ভজিবাক।
কাল কুট বিষ ভুঞ্জি খোজ মৰিবাক ॥৩৭০
গুছ পাপী দুৰ হও শান্তি সীতা এৰি।
নতু দশ শিৰ ৰামে চেদিবেক ধৰি ॥
বহ্নি কুণ্ডে গৈ যেন পটঙ্গৰ যাস।
বেঙ্গ হইয়া গোম ফেটি সৰ্পক জোক্কাশ ॥৩৭১
ছাগলে বাঘিনী সমে কৰি পৰিহাস।
জ্বলন্ত অগ্নিক বস্ত্ৰে বান্ধিবাক চাস ॥
শৃগালে সিংহৰ হয় যতেক অন্তৰ।
তোৰ মোৰ পাপীৰ শুন সেই পটন্তৰ ॥৩৭২
গঙ্গাজল এৰি কোনে ভুঞ্জে মুতনিক।
অমৃত এৰিয়া শোকোটাক খাইবো কিক ॥
মোহোৰ আপচু কাচু দিবো তোৰ শিৰে।
কাটিবেক জিহ্বা তোৰ শ্ৰীৰামৰ শৰে ॥৩৭৩

ৰামচন্দ্ৰ কিম্বা যদি থাকন্ত লক্ষণ।
তেবে কি বাপেৰ শক্তি কৰিবি হৰণ॥
অকলশ্বৰে পাইলি লাগ মোক বন মাজ।
এতেকে সে তোৰ শাস পাপীষ্ঠ নিলাজ॥৩৭৪
নও আসি পান্তে চাৰ যদি প্ৰাণে আশ।
নহলে সবংশে তোৰ ভৈলি সৰ্ব্বনাশ॥
সীতাৰ এতেক বাণী শুনি দশানন।
দন্ত কৰমৰি বোলে বঢ়াই বচন॥৩৭৫
মোহোৰ বীৰত্ব তই নতু দেখি পাশ।
সিহেতু মনুষ্য ৰামে বীৰ বখানস॥
জিনিলো ত্ৰিদশ আদি কাকো নাহি শঙ্কা।
ভাতৃ মোৰ জ্যেষ্ঠ তাৰ কাঢ়ি লৈলো লঙ্কা॥৩৭৬
জিনিলো ইন্দ্ৰক আৰু বাসৱ বৰুণ।
জিনিআছো সুৰ আদি আৰু ৰুদ্ৰগণ॥
ব্ৰহ্মা শিৱ বিণে আৰু আন যত দেৱ।
ভয়ে ৰাৱণক পৰি সবে কৰে সেৱ॥৩৭৭
নজানস তই মোক ৰাৱণ বিশাল।
অগনিৰ অগনি যমৰো যম কাল॥
যদি ইচ্ছা মতে তই নভজ আমাক।
চলে বলে নিস্তে আজি হৰিবো তোমাক॥৩৭৮
হেন শুনি জানকীৰ ধাতু উৰি গৈল।
কোপে ভয়ে ৰাৱণক বুলিবাক লৈল॥

ৰাসৱৰ শচী ৰশিষ্টৰ অৰুন্ধতী।
আক যেৱে হৰিবাক পাৰস সাৱিত্ৰী ॥৩৭৯
তথাপিতো নেৱাৰিবি ৰামৰ সীতাক।
হৰৰ পাৰ্ব্বতী হৰি খোজস জীবাক ॥
স্ত্ৰীৰ আগে বকি তই মুনিষ বখান।
মোহোৰ প্ৰভুৰ তই বীৰত্ব নজান ॥৩৮০
কি তই সহিবি শ্ৰীৰামৰ একবান।
লক্ষ্মণৰ শৰ ছোটে তেজিবি পৰাণ ॥
ক্ৰোধিয়া ৰাৱণে বোলে বাক্য খৰোত্তৰ।
হায়ৰে পাপীষ্ঠা গুণ বখান ৰামৰ ॥৩৮১
সহস্ৰেক ৰাম আসি কি কৰিবে মোক।
বাৰে বাৰে মোৰ আগে বখান ৰামক ॥
এহি বুলি বলে ধৰি নিয়া জানকীক।
উৰু দুইত হাতে দিয়া অঙ্গে বসাইলেক ॥৩৮২
ৰাহু যেন পূৰ্ণচন্দ্ৰ ধৰি গিলিলেক।
আকাশৰ পথে পাছে ৰথ চালাইলেক ॥
উত্ৰাৱল ভৈল চিত কাম্পে হাত পাৱ।
ঘোৰ ভয়ে কান্দে সীতা অতি দীৰ্ঘ ৰাৱ ॥৩৮৩

# লেছাৰি।

ৰাখা ৰাখা প্ৰভু ৰঘুনাথ, তব প্ৰাণ প্ৰিয়া জানকীক,
শূন্য ঘৰে আসি হৰিয়া নিলে ৰাৱণ।
স্নেহৰ দেৱৰ লখাই মোৰ, কৈক গৈলা চাৰি ঘোৰ বনে,
ৰাক্ষসে লৈ যাই কৰা শীঘ্ৰে পৰিত্ৰাণ ॥৩৮৪
হৰি হৰি বিধি মোৰ, সিংহৰ ভাৰ্যাক নিশাচৰ,
কোনমতে হাতে ধৰিবাক সাহ ভৈল।
ৰাখা প্ৰাণ স্বামী মৰো হেৰা, শীঘ্ৰে খেদি আসি লাগ ধৰা
ৰাক্ষসৰ হাতে সীতাৰ প্ৰাণ হেৰাইল ॥৩৮৫
মায়া হেন মৃগ নুবুজিলো, তাৰ আশে বনে পাঠাইলো,
সিটো দোষে স্বামী নোচোৱা মোক উলটি।
সেহি অপৰাধ খেমা কৰি, তোমাৰ দাসীৰ দাসী মানি,
এ ঘোৰ শঙ্কটে ৰাখা আসি প্ৰাণপতি।৩৮৬
শঙ্কটে বিপদে তিনি প্ৰাণী, আসিলো বনক তাক জানি,
বিধিৰ বিপাকে ভৈলো সবে এৰাএৰি।
দুই ভাই মোৰ বাক্য ধৰি, গৈলা বনে মোক পৰিহৰি,
পাছত মৰিলো ৰাৱণৰ হাতে পৰি ॥৩৮৭
জানকী ৰক্ষাৰ হেতু লখাই, আসিলা বনক দুই ভাই,
এবে ৰাক্ষসৰ হাতে দিলা কি কাৰণ।
প্ৰভুৰ শঙ্কট শুনি বোল, পঠাইলো তোমাক ঘোৰ বন,
মই পাপীনিয়ে মানি তযু বচন ॥৩৮৮

অনেক দুৰ্ব্বাক্য বচনক, বুলিবে ন ৰৈল আৰু শেষ,
সেহি অপৰাধে চাৰিলা লখাই সীতাক।
মোৰ অপৰাধ পাপীনিৰ, স্নেহৰ দেৱৰ খেমিয়োক,
চৰণত ধৰি কাকুতি কৰো তোমাক ॥৩৮৯
কৈক গৈলা প্ৰাণ ৰঘুপতি, অৰণ্য মাজত মোক এৰি,
সীতাৰ নিমিত্তে আজি নিদাৰুণ ভৈলা।
অনেক শঙ্কটে ৰাখি ফুৰি, মুহূৰ্ত্তে বনত পৰিহৰি,
ভাল প্ৰভু মোক ৰাক্ষসৰ হাতে দিলা ॥৩৯০
হে প্ৰভু মোৰ ৰঘুনাথ, স্নেহৰ লক্ষ্মণ ধনুৰ্দ্ধৰ,
লৈযাই ৰাৱণে ৰাখা ৰাখা শীঘ্ৰে কৰি।
স্নেহৰ জানকী দেখা আসি, বলেৰে ৰাৱণে নিলে হৰি,
এহি শোক শেলে নথাকা জীৱন ধৰি ॥৩৯১
কৌশল্যা সুমিত্ৰা শিশু দুই, চৰণে সেবিবে নপাওঁ মই,
স্নেহৰ বহাৰি ৰাক্ষসে নিলেক ধৰি।
মোৰ ইটো বাৰ্ত্তা পাইপাছে, থাকিবা মাতৃ মোৰ কোনসতে,
জানিলো মৰিব দুজনে হিয়া ধাকুৰি ॥৩৯২
বনবাসে আইলো তিনি প্ৰাণী, সেই শোকশেল হিয়াফাটি,
স্নেহৰ শ্বশুৰে যি তাতে প্ৰাণ তেজিলা।
আজিকো সি শোকে দহিয়াছে, পুনু জানকীক হৰি নিলে,
এনে শোক শাশু ভাল বিধি মিলাইলা ॥৩৯৩
কৈকেয়ী শাশুৰ ভাল ভৈলা, সবে মনোৰথ পূৰ্ণ হৈলা,
ইকথা জানিয়া আনন্দ হইবে অপাৰ।

সুমিত্ৰা কৌশল্যা দুই আই, নিশ্চয়ে মৰিব জানো মই,
কৈকেয়ী শাশু আবে খোৱা সুখে ৰাজ্য ভাৰ ॥৩৯৪
হায় মোৰ বিধাতা কি কৰিলা, দুষ্ট ৰাৱণৰ হাতে দিলা,
ইঘোৰ বিপদে কোনে কৰিবেক ত্ৰাণ।
বনে হেন বন্ধু নাই মোৰ, কৰিবেক ৰক্ষা আসি মোক,
ৰাক্ষস নিবাৰি কোনে ৰাখিবেক প্ৰাণ ॥৩৯৫
কাকুতি বচন শুনা মোৰ, বনৰ দেৱতা যত মান,
আৰু যত আছা পুষ্প লতা তৰুগণ।
প্ৰাণ স্বামী মোৰ শ্ৰীৰামক, কহিবা আমাৰ বৃত্তান্তক,
শূন্য ঘৰে সীতা হৰিয়া নিল ৰাৱণ ॥৩৯৬
হেপ্ৰভো মোৰ শ্ৰীৰাম, কিনু বিলাই ভৈলা আজি মোৰ,
স্নেহৰ তোমাৰ লৈ যাই ভাৰ্য্যাক হৰি।
দেৱৰ লক্ষ্মণ ভৈয়াই মোৰ, শীঘ্ৰ আসি লাগ নেদা কিয়,
স্নেহৰ জানকী নিলেক ৰাৱণে ধৰি ॥৩৯৭
নমানিয়া তযু বাক্য হই, বাক্য শেলে দিয়া বুকে জুই,
বনে পাঠাই দিয়া বিপাঙ্গে মৰিলো পৰি।
এঘোৰ বিপদে জানকীক, ৰাৱণৰ হাত হন্তে মোক,
হে মোৰ দেৱৰ ৰাখা আসি শীঘ্ৰে কৰি ॥৩৯৮
আসা স্বামী খেদি আসা আসা, হাত মেলি দিও ধৰা,
নিলেক ৰাক্ষসে প্ৰভো মোৰ কি ৰঙ্গ চোৱা।
জানকীৰ যত অপৰাধ, খেমি ৰাখা হাতে ৰাক্ষসৰ,
মই পাপীনিয়ে চৰণে কৰিছো সেৱা ॥৩৯৯

## পদ ।

আকাশৰ পথে ৰথ কৰন্ত উৰাৱ ।
কান্দে সীতা মহা শোকে কৰি আৰ্ত্তৰাৱ ॥
সিবেলা জটায়ূ পক্ষী গৰুড় নন্দন ।
ভুৰহন্তে শুনিলন্ত সীতাৰ ক্রন্দন ॥৪০০
আকাশে উঠিয়া পক্ষী চতুর্ভিতি চায় ।
দেখন্ত ৰাৱণ সীতা হৰি লৈয়া যায় ॥
পৃথিৱীৰ লোক পক্ষী চিনন্ত সবাক ।
দূৰতে চিনিলা দেখি ৰাৱণ সীতাক ॥৪০১
ডুই পাখী মেলি পাছে ভেটিলেক বাত ।
কৈক হৰি নেশ বুলি দিলা পাশা ছাট ॥
উৰাৱতে তলবল পৰ্ব্বত লৰিল ।
শাল তাল বৃক্ষ যত ভাগিয়া পৰিল ॥৪০২
পক্ষী বোলে শুন তই পাপীষ্ট নিলাজ ।
বৰ ৰাজা হৈয়া কৰা ইমান অকাজ ॥
ধৰ্ম্ম পথ এৰ তই হৰ পৰ নাৰী ।
স্বৰূপত জান সীতা আমাৰ বহাৰী ॥৪০৩
দশৰথ সখা মোৰ আত্মীয় নিশ্চয় ।
শ্রীৰামৰ পত্নী হৰি যাবি যমালয় ॥
এৰ শীঘ্র কৰ সীতা যদি প্রাণে আশ ।
নতু নখে মুণ্ড চিঙ্গি কৰিবো বিনাশ ॥৪০৪

ত্রিদশৰ শত্রু তই আজি তোক নেৰো।
শ্রীৰামৰ মহা শত্রু ঠোটে চিৰি মাৰো॥
ৰাৱণে বোলয় পক্ষী শুনা দুৰাচৰ।
কি কাৰণে জোষ্কাশ ছোট নপাশ আমাৰ ॥৪০৫
ত্রিদশৰ ৰাজা মই ৰাৱণ প্রচণ্ড।
শৰ হানি কাটী তোক কৰো খণ্ড খণ্ড ॥
এহি বুলি মহা ক্রোধে হাতে ধনু ধৰি।
অৰ্দ্ধচন্দ্ৰ হানে বান গিৰিসিত কৰি ॥৪০৬
পাখী ছাত দিয়া পক্ষী সমস্ত উৰাইল।
জাম্প দিয়া ৰাৱণৰ ৰথত চৰিল ॥
কেশত আজুৰি তাৰ ঘণ্টা দিলা লাৰি।
ৰখল ৰখলে নিলা পিঠি মাংস চিৰি ॥৪০৭
লাঠিৰ প্ৰহাৰে বৈলা সাৰথিৰ প্ৰাণ।
পাশা ছাত দিয়া ৰথ কৈলা খান খান ॥
পুনু ৰাৱণৰ মাঠে লাঠি প্ৰহাৰিলা।
সীতাক কোলাত লৈ ভূমিত পৰিলা ॥৪০৮
মূৰ্চ্ছা গৈয়া আছিলন্ত কতোক্ষণ মান।
ব্ৰহ্মাৰ বৰত মাত্ৰ নছাৰিলা প্ৰাণ ॥
পক্ষী বোলে শুন দুষ্ট ৰাৱণ বৰ্ব্বৰ।
প্ৰাণে যদি আশা জানকীক পৰিহৰ ॥৪০৯
ৰাৱণে বোলয় মোক নুবুলিবা আৰ।
সাধিল উচিত তুমি মিত্ৰ প্ৰতিকাৰ ॥

এবে প্ৰাণ লৈয়া পক্ষী চলিয়োঁ অন্তৰে।
আমিয়ো চলোহো সীতা লৈয়া লঙ্কাপুৰে ॥৪১০
পক্ষী বোলে তাঙ্ক প্ৰতি আশা দূৰ কৰ।
পঠাইবো ৰাৱণ আজি তোক যম ঘৰ ॥
ছোট পাই ৰাৱণৰ ক্ৰোধ অতিশই।
কোলা হন্তে জানকীক পৃথিৱীত থই ॥৪১১
মায়া বলে উঠিলেক আকাশ মণ্ডল।
দেখি সীতা পালাইবাক ঘনে চাৱে চল ॥
অৰণ্য পৰ্ব্বত ঘোৰ সন্ধি ক'তো নাই।
কান্দিছে ভয়ত সীতা মৃত্যুক পৰাই ॥৪১২
আকাশত দেৱগণ কৰে হাহাকাৰ।
সাহসত যুজে পক্ষী বুকে ভয় তাৰ ॥
পুনু মায়া বলে ৰথ ৰাৱণে সাজিলা।
ধৰিয়া সীতাক পুনু ৰথত তুলিলা ॥৪১৩
জটায়ু কৰিয়া পুনু সাহসত ভৰ।
আৰম্ভিলা যুদ্ধ আশ এৰিয়া প্ৰাণৰ ॥
দুই পাখা মেলি তাক সাবটি ধৰিলা।
বুকুত বৈসাই নখ মাঠে খোট দিলা ॥৪১৪
হিয়া মুণ্ড গল তাৰ সকলো শৰীৰ।
নখৰ ঠোটৰ ঘাৱে ভৈলা চিৰা চিৰ ॥
সোটা সোত ভৈলা মাংস চুলি উভৰিল।
সৰ্ব্বাঙ্গ শৰীৰ তাৰ শোনিতে ভিজিল ॥৪১৫

দুই পাৱে ভিৰ দিয়া ধনুক ভাঙ্গিলা ।
ঠোঁতে আজুৰিয়া তাৰ কিৰিটী চিঙিলা ॥
শিৰবৰে মাত্ৰ তাৰ মাঠা গোট ৰৈল ।
কম্পল শৰীৰ ছোটে যমক দেখিল ॥৪১৬
পৰম বিহ্বল ৰাজা হেৰাইলেক জ্ঞান ।
কুৰি ভুকু মাৰিলেক কৰি বৰ টান ॥
চৰৰ চাপৰ মুঠি হানিলা অপাৰ ।
তথাপিতো কটাক্ষকো নভৈলা তাহাৰ ॥৪১৭
ৰাৱণে বোলয় নোহে ইহাৰ সমান ।
ইহাৰ হাতত কিবা যাই মোৰ প্ৰাণ ॥
ন্যায় যুদ্ধে কদাপিও পক্ষিক নোৱাৰো ।
যি হৌক সি হৌক তাক অন্যায়ত মাৰো ॥৪১৮
ৰাৱণৰ মন পাছে বুজি পক্ষিবৰ ।
মাৰিলা পাখাৰ ছাত অতি ভয়ঙ্কৰ ॥
কতহো দূৰত পাছে উফৰি পৰিল ।
ৰাৱণে বোলয় মোৰ ইবাৰ বুৰিল ॥৪১৯
পুনু উঠি জানকীক অন্তৰাই থৈলা ।
বত্ৰিশ হাজাৰ বাণ পক্ষীক মাৰিলা ॥
তাহাকো নগনি পক্ষী যুজে ঘোৰত্তৰ ।
ৰামৰ নিমিত্তে বাত চাৰে পক্ষীবৰ ॥৪২০
ৰাৱণে দেখয় তাৰ বল নুটুতিল ।
চন্দ্ৰহাস হানি তাৰ পাখাক কাটিল ॥

গিৰিসিত কৰি পক্ষী ভূমিত পৰিলা।
সাগৰ খলক মহী মন্দৰো লৰিলা ॥৪২১
দেখি সীতা লৰ দিয়া পক্ষীক ধৰিলা।
গলে অঙ্কোৱালী দেৱী বিনাই কান্দিলা ॥
দশৰথ যেন মোৰ তুমিও শশুৰ।
বোৱাৰী অনাথ কৰি গৈলা যমপুৰ ॥৪২২
জনক নন্দিনী মাতো মাঠা তুলি চোৱা।
দিয়া মোক ৰাক্ষসক তুমি কৈক যোৱা ॥
হৰি হৰি কিন্তু মোৰ ভৈলেক বিলাই।
পাপীষ্ঠাৰ হন্তে মৰি গৈলা পক্ষীৰাই ॥৪২৩
কোনেনো কৰিবে ত্ৰাণ এঘোৰ শঙ্কটে।
ৰাক্ষসক লাগি জন্ম ধৰিলো পূৰ্ব্বতে ॥
মোৰ ৰক্ষা হেতু পক্ষী তেজিলা জীৱন।
ৰাক্ষসৰ হাতে আছে আমাৰো মৰণ ॥৪২৪
শাস্তি সীতা যদি হও বুজিবা প্ৰমাণ।
প্ৰভোক বৃত্তান্ত কহি তেজিবা পৰাণ ॥
যাবৎ নাপাবা শ্ৰীৰামক দৰশন।
তাৱে পক্ষী নছাৰিবা তোমাৰ জীৱন ॥৪২৫
কহিবা প্ৰভুক তোৰ স্নেহৰ সুন্দৰী।
ৰাক্ষসে হৰিয়া বলে নিলা লঙ্কাপুৰী ॥
পক্ষী বোলে শুনা মাৱ নকৰা ক্ৰন্দন।
কৰিব উদ্ধাৰ তোক শ্ৰীৰাম লক্ষ্মণ ॥৪২৬

এতেক কহন্তে আসি ৰাৱণ চাপিলা।
দেখি সীতা ভয়ে গৈ বৃক্ষত ধৰিলা ॥
এৰ বুলি আজুৰতে নিলা এক্ৰাই।
ডাকিলন্ত ৰথ খান আকাশে উৰাই ॥৪২৭
পক্ষীৰ যুদ্ধত লণ্ড ভণ্ড এট মান।
অধৰ্ম্মত ৰামে পাইলে নহব এৰান ॥
এই ভাব কৰি পাছে পলাইলা ৰাৱণ।
আকুলে ব্যাকুলে সীতা কৰিছে ক্ৰন্দন ॥৪২৮
সীতা বোলে কৈত মোৰ শ্ৰীৰাম লক্ষ্মণ।
ঘনে ডাক ছাৰে দেখা দিয়া এইক্ষণ ॥
ৰাৱণ কোলাত সীতা বিজুলী উজ্জ্বল।
কোলা মেঘে শোভে যেন চন্দ্ৰৰ মণ্ডল ॥৪২৯
সিৰূপে শোভিছে সীতা ৰাৱণ কোলাত।
সূৰ্য্য ৰশ্মি জ্বলে যেন পূৰ্ব্ব যে দিশত ॥
জ্বলিছে সীতাৰ গাৰে ৰত্ন আভৰণ।
বায়ু বেগে কম্পে সীতাৰযে বস্ত্ৰখান ।৪৩০
শ্ৰীৰামৰ বুলিয়া ডাক দেই ঘনে ঘন।
আকাশত হা হাতাস্মিতি দেৱগণ ॥
চিহ্ন হেতু শৰীৰৰ বস্ত্ৰক চিঙ্গিয়া।
পথে পথে পেলাৱন্ত টুকুৰা কৰিয়া ॥৪৩১
আৰু চিঙ্গি ভূমি পেলালন্ত অলঙ্কাৰ।
তাক দেখি জানিৱন্ত শ্ৰীৰাম আমাৰ ॥

অনন্তৰে ঋষ্য মুখ গিৰি পাইল যাই।
পঞ্চটি বানৰ বসি আছে সেহি ঠাই ॥৪৩১
যত মান অলঙ্কাৰ গাৱত আছিলা।
খসাই সৱাকো বস্ত্রে টোপোলা বান্ধিলা ॥
শান্তি সীতা যদি হুও কহিলোহো সাৰ।
ৰাম স্বামী পাওক নিস্তে এই অলঙ্কাৰ ॥৪৩২
এহি বুলি দলি মাৰি দিলন্ত পেলাই।
পঞ্চটী বানৰ বসি আছা সিটো ঠাই ॥
শ্ৰীৰামৰ সঙ্গে যদি হয় দৰশন।
দিবা বাৰ্ত্তা সীতা হৰি নিলেক ৰাৱণ ॥৪৩৩
পঞ্চটী বানৰে পাছে উৰ্দ্ধক চাহিলা।
ৰাৱণ কোলাত কন্যা দৰিশন পাইলা ॥
নীল মেঘ বৰ্ণ মেলি যায় কেশ তাৰ।
পৰম বিস্ময়ে তুলি লৈলা অলঙ্কাৰ ॥৪৩৫
দক্ষিণৰ দিশে ভয়ে চলন্ত ৰাৱণ।
জটায়ুৰ ভ্ৰাতৃপুত্ৰ পাইলা দৰশন ॥
গৰুড়ৰ নাতি পক্ষী পৰম দুৰ্জ্জয়।
বধিল জতায়ু ৰাজা তাক নজানয় ॥৪৩৫
জানিলে সিবেলা ৰাৱণক যমালয়।
অৰণ্যে পঠাইলা হন্তে নাহিকে সংশয় ॥
শ্ৰীৰাম বুলিয়া সীতা কৰিছে ক্ৰন্দন।
কহিলা দেৱতা তাক সীতাৰ হৰণ ॥৪৩৬

শুনি পক্ষী পাখী ছাতে আৱৰীয়া ৰথ।
ভেটীলন্ত ৰাৱণক নিবাৰিলা পথ॥
মেলিলন্ত মুখ ৰথ সহ গিলিবাক।
ৰথৰ উপৰে পাছে দেখিলা সীতাক ॥৪৩৭
নাৰী হত্যা ভাবি মনে ৰথ নিগিলিল।
বিনয়ে ৰাৱণে তাক অনেক বুলিল॥
ত্রিভুবনে খ্যাত তুমি বিক্রমে দুর্জ্জয়।
তোমাৰ সহিতে যুদ্ধে ভৈলো পৰাজয় ॥৪৩৮
বিনয় বচন শুনি তাক এৰি দিলা।
অনন্তেৰে গৈয়া সাগৰৰ পাৰ পাইলা॥
সাগৰ দেখিয়া সীতা মূর্চ্ছিত ভৈলন্ত।
হা ৰাম স্বামী বুলি ৰামক স্মৰন্ত ॥৪৩৯
সাগৰ লঙ্ঘিয়া পাছে নিজ পুৰি পাইলা।
ৰথ হন্তে নমাই বাক্য সাদৰি বুলিলা॥
দেখিয়ো জানকী মোৰে স্বর্ণপুৰী লঙ্কা।
দেৱ দৈত্য ৰাক্ষসক কাকো নাই শঙ্কা ॥৪৪০
যতেক দেৱতা মোক খাতে সৰ্ব্বজন।
ভাণ্ডাৰে ভাণ্ডাৰে পূর্ণ দেখা মোৰ ধন॥
তোমাৰ সেৱক তুমি তুমিসে ঈশ্বৰী।
কোপ সম্বৰাহা মাতো চৰণত ধৰি ॥৪৪১
সীতা বোলে মোৰ মাত্র ৰাম প্রাণনাথ।
চৰণে নপশো ৰাজা তোৰ দশ মাথে॥

আপুনি আনিলি তোৰ কুল সংহাৰিণী ।
নকৰি ইমত মই ৰামৰ ঘৰণী ॥৪২২
শুনিয়া সিচুকি ৰৈলা সীতাৰ বচন ।
কৈত থবো কি কৰিবো ভাবে মনে মন ॥
শ্ৰীৰামৰ শোক নপাসৰয় যাৱত ।
দাসীগণে ৰাখি থাউক অশোক বনত ॥৪৪৩
এহি বুলি লগে বহু নাৰীগণ দিলা ।
স্বৰ্ণময় অশোকত সীতাক ৰাখিলা ॥
সুৰ্পণখা বোলে কটাইলিহি নাক কাণ ।
নখে চিৰি তাৰ ফলে বধিবো পৰাণ ॥৪৪৪
কৰিবে নোৱাৰে একো ৰাৱণ ভয়ত ।
অনন্তৰে ৰৈলা সীতা অশোক বনত ॥
তাত পাছে দেৱগণ মন্ত্ৰণা কৰিয়া ।
ইন্দ্ৰ হাতে পৰমান্ন দিলন্ত পঠায়া ॥৪৪৫
ইন্দ্ৰ বোলে মাৱ শোক কৰা পৰিহাৰ ।
উদ্ধাৰিবে ৰামে কৰি ৰাক্ষস সংহাৰ ॥
মই ইন্দ্ৰ দেৱ দত্ত ভুঞ্জা পৰমান্ন ।
নাহি ক্ষুধা তৃষ্ণা শত বৰিষ প্ৰমাণ ॥৪৪৬
সীতা বোলে তুমি ইন্দ্ৰ প্ৰত্যয় নহয় ।
শুনি ইন্দ্ৰে নিজ ৰূপে দিলা পৰিচয় ॥
তিনি ভাগ কৰি এক ভাগক ভুঞ্জিলা ।
অগ্ৰে ৰাম লক্ষ্মণৰ দুভাগ ৰাখিলা ॥৪৪৭

আশ্বাসিয়া ইন্দ্রে পাছে নিজ ঠানে গৈলা।
শোকে দুখে সীতা মাত্ৰ তথাতে ৰহিলা॥
ভণে দীন তীর্থনাথে এৰা আন কাম।
পাতক ছাৰোক ডাকি বোলা ৰাম ৰাম ॥৪৪৮

---

## পদ

মৃগৰূপ ৰাক্ষসক মাৰি ৰঘুবৰ।
উত্ৰাৱল চিত ৰাম্র শুনি ৰাক্ষসৰ॥
কি জানি শুনিয়া ৰিঙ্গ সীতাক এৰিয়া।
আসন্ত লক্ষ্মণ খেদি আমাক লাগিয়া ॥৪৪৯
এই ভাবি ৰামচন্দ্র শীঘ্র পালটীল।
চতুর্ভিতে নানা অমঙ্গলক দেখিল॥
ঘোৰ চিন্তাকুল প্ৰভো শীঘ্রে কৰি যান্ত।
আসন্ত লক্ষ্মণ তাক ৰামে দেখিলন্ত॥৪৫০
হা হা লখাই কিনু তই কৰিলি অকাজ।
সীতাক এৰিয়া কিয় আইলা বনমাজ॥
সহিবে নোৱাৰো মই ঘোৰ হৃদি তাপ।
কি কাম কৰিলি হেৰ ভয়াই মোৰ বাপ॥৪৫১
ঘোৰ অৰণ্যত ৰাক্ষসৰ মাজে সীতা।
এৰি তই কি কাৰণে আইলি মোৰ ভিতা॥

কৃতাঞ্জলিপুটে কও সকলো দেৱতা।
আজি ৰক্ষা কৰা সবে প্ৰাণেশ্বৰী সীতা ॥৪৫২
আইলো সীতা তোক মই কৰি সমৰ্পণ।
কিয় এৰি আইলা সীতা মোৰ জীৱ ধন॥
মোত কৰি বাপু তোৰ বৰ বুদ্ধি বল।
কৰ্ম্মভাগে আজি সবে গৈলা ৰসাতল ॥৪৫৩
বায়ু বেগে গৈয়া শূন্য গৃহ মাত্ৰ পাইলা।
প্ৰাণেশ্বৰী প্ৰাণেশ্বৰী বুলি ডাক দিলা॥
নেদেখি জানকী গৃহে মূৰ্চ্ছিত পৰাই।
গিৰি বন আদি কৰি চতুৰ্দ্দিকে চাই ॥৪৫৪
এক ঠাইত বিচাৰিলা শত শত বাৰ।
তথাপিতো নাপাইলা উদ্দিশ সীতাৰ॥
কান্দিয়া বিকল ৰাম নাহিকে চেতন।
প্ৰবোধিলা আশ্ৰমৰ যত মুনি গণ ॥৪৫৫
পশু পক্ষী কান্দে সবে ৰামৰ লগত।
হাহাকাৰ কৰে স্বৰ্গে দেৱগণ যত॥
সীতা সীতা বুলি কান্দে শ্ৰীৰাম লক্ষ্মণ।
কান্দি কান্দি লৱে লুটি মাটিত সঘন ॥৪৫৬
নমো নমো ৰামচন্দ্ৰ দুৰ্ব্বাদলশ্যাম।
মহাপাতকীও তৰে স্মৰি যাৰ নাম ॥৪৫৭
সাধু সঙ্গে থাকি মুখে স্মৰি তযু নাম।
নছাৰোক তীৰ্থনাথে বাঞ্ছে এহি কাম॥

অন্তক সময়ে নাম আসোক মুখত ।
বোলা ৰাম ৰাম জুই লাগোক পাপত ॥৪৫৮

ভ্রমেণ মুনীনাং বাক্যংযদ্ভাষিতং বিপৰীতঃ ।
তদ্দোষং ক্ষমস্ব বুধঃ মূর্খানাম্ অধমং প্রতি ॥
বৃন্দানাথপুত্র পাপী শ্রীতীর্থনাথনামকঃ ।
যুগ্মহট্টনিবাসিনাং ধলস্থ সত্রাণাং পতিঃ ॥

—সমাপ্ত—

DIBRUGARH H. S. KANOI COLLEGE
LIBRARY
Accession No.
8233.

# জাননী

ধলবসত্ৰ পুথি ভঁৰালৰ দ্বাৰা প্ৰকাশিত কিছুমান কিতাপৰ নাম তলত দিয়া হল। বেছিবলৈ সৰহীয়াকৈ নিওতা সকলক শতকৰা ২৫৲ টকা কমিছন দিয়া হয়।

১। সাচিপতীয়া আকাৰৰ কীৰ্ত্তন পুথি। ২। কীৰ্ত্তন (কিতাপৰ আকাৰত)। ৩। দশম পুথি। ৪। বলিছলন। ৫। গুপ্তসাৰ। ৬। নিমিনৱসিদ্ধ সংবাদ। ৭। অনাদি পাতন। ৮। হৰিশ্চন্দ্ৰ উপাখ্যান। ৯। স্যমন্ত হৰণ। ১০। নামঘোষা। ১১। অমূল্য ৰত্ন। ১২। গুপ্তমণি। ১৩। কালিকা পুৰাণ। ১৪। ৰাধাহৰণ। ১৫। লক্ষ্মী-চৰিত্ৰ। ১৬। ভীম চৰিত্ৰ। ১৭। অৰ্জ্জুন সংবাদ। ১৮। কাণখোৱা। ১৯। সম্প্ৰদা চৰিত্ৰ। ২০। সীতা বনবাস। ২১। বুঢ়াভাষ্য। ২২। দ্বিপিকা চন্দ। ২৩। বৈবশ্য পুৰাণ। ২৪। জন্ম নিৰ্ণয়। ২৫। সাধুসঙ্গ নিৰ্ণয়। ২৬। গোপালদেৱৰ চৰিত্ৰ। ২৭। কুমৰ হৰণ। ২৮। ধৰ্ম্মসংবাদ। ২৯। পদ্মপুৰাণ। ৩০। নামধৰ্ম্ম। ৩১। ভক্তিতত্ত্ব দৰ্পণ। ৩২। বৈষ্ণৱ মালা। ৩৩। বৈষ্ণৱ নিত্যকৃত্য। ৩৪। বৈষ্ণৱ কীৰ্ত্তন। ৩৫। মহিলা কীৰ্ত্তন। ৩৬। ঘোষামৃত। ৩৭। কথাঘোষা। ৩৮। ফকৰা পুথি। ৩৯। মহাপুৰুষীয়া ধৰ্ম্ম। ৪০। জ্যোতিষ ৰত্ন দৰ্পণ। ৪১। অদ্ভুত গণনা জ্যোতিষ। ৪২। নোৱাই তোলনী। ৪৩। ৰাম বনবাস। ৪৪। সীতা হৰণ। ৪৫। লৱণ দৈত্য বধ। ৪৬। লৱকুশৰ যুদ্ধ। ৪৭। ধ্ৰুব চৰিত্ৰ। ৪৮। বালীবধ। ৪৯। শতস্কন্ধ ৰাৱণ বধ। ৫০। জয়তি ভাৰত। ৫১। বিহুৱান। ৫২। হুচৰী-কীৰ্ত্তন। ৫৩। বিয়ানাম। ৫৪। ধোল, মৃদং খোল, আৰু তাল মালিতা। ৫৫। আশীৰ্বাদ। ৫৬। অনাদি কৰতি। ৫৭। বৃহৎ বৈদ্যৰাজ ধনন্তৰী নিদান। ৫৮। সৰ্ব্বব্যাধি মূলমন্ত্ৰ। ৫৯। মুখভঙ্গা মন্ত্ৰ। ৬০। ওভোতা মন্ত্ৰ। ৬১। বহুৱা ভকত। ৬২। কনিকা। ৬৩। জিলিঙ্গনি। ৬৪। আলহী ঘৰৰ যাত্ৰী। ৬৫। অজান্তি মূলুক।

ঠিকনা—ধলবসত্ৰ পুথি ভঁৰাল
পোঃ ধলৰ সত্ৰ, যোৰহাট, অসম